# "HOW JAPAN BECAME A WORLD POWER"

**A Dissertation Report**
**Submitted to the controller of examination, Gauhati University in partial fulfillment of requirement of the award of the degree of**

**BACHELOR OF ARTS IN HISTORY**


**STUDENT'S DETAILS**
**Bandita Medhi**
Mayang Anchalik College
B.A. 6th Semester
Sub. – History (Major)
Examination Code: UA171340
Examination Roll No.: 0024

**THE SUPERVISOR**
**Dr. Utpal Saikia**
(History Department)
Assistant Professor
Mayang Anchalik College
P.O. – Rajamayang
Dist. – Morigaon (Assam)
Pin – 782411

# Format of Evaluation of Project Work

1. Name of Student : **Bandita Medhi**
2. G.U. Registration No. : 17078473 of 2017-18
3. G.U. Examination Code No. : UA171340
4. G.U. Roll No. : 0024

Name of the Subject : History (Major)

Title of the Project Work : "How Japan Became a World Power".

# Evaluation of Project Work

| Maximum Marks – 75 | Awarded Marks |
|---|---|
| 1. Project Report | 57 |
| 2. Presentation | 13 |
| 3. Total Awarded Marks | 70 |

Signature of the members of Departmental Project Evaluation Committee –

(1)
Signature of Principal

(Dr. Mahananda Borah)
Principal
Mayang Anchalik College
PO.- Rajamayong
Dist.- Morigaon (Assam)
Pin Code- 782411

(2)
Signature of Supervisor

(Dr. Utpal Saikia)
Asstt. Professor
Mayang Anchalik College
PO.- Rajamayong
Dist.- Morigaon (Assam)
Pin Code- 782411

(3)
Signature of Department Member

(Sarat Chandra Sarma)
Asstt. Professor
Mayang Anchalik College
PO.- Rajamayong
Dist.- Morigaon (Assam)
Pin Code- 782411

# CERTIFICATE

It is certified that the dissertation report entitled **"How Japan Became a World Power"** submitted by **Bandita Medhi, 6th Semester, Roll Code-UA171340, No.- 0024, Registration No.- 17078473 of 2017-18** to the controller of Examination, Gauhati University in partial Fulfillment of the requirement for the award of the Degree of Bachelor of Arts in History is a record of bonafide and independent research work carried out under my supervision and guidance. It is further certified that to the best of my knowledge and belief, this work has not been previously submitted for any Degree of this or any university or institute.

Signature of the Supervisor

(Dr. Utpal Saikia)
Asstt. Professor
Department of History
Mayang Anchalik College
PO.- Rajamayong
Dist.- Morigaon (Assam)
Pincode- 782411

Place : Mayong

Date : 13/10/2020

# DECLARATION

I **Bandita Medhi** hereby declare that the dissertation report entitled **"How Japan Become a World Power"** is a bonafide record of independent research work submitted to the controller of Examination, Gauhati University in partial fulfillment of the requirement for the award of the Degree of Bachelor of Arts in History and not previously submitted for any Degree of this or any other university or institute.

Bandita Medhi
Signature of Student

**(Bandita Medhi)**
6th Semester
Roll Code: UA-171340
No.: 0024
Registration No.: 17078473 of 2017-18

Place : Mayang
Date : 12/10/2020

# বিশ্বৰ শক্তিশালী দেশ হিচাপে জাপানৰ উত্থান

মেইজী পুনঃসংস্থাপনৰ পাছৰ পৰা জাপানৰ দ্ৰুত পৰিৱৰ্তন আৰম্ভ হৈছিল। মেইজীৰ শাসন কালত জাপানৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি সকলো দিশতে অভূতপূৰ্ব পৰিৱৰ্তন আহি পৰিছিল। টকুগুৱা চ'গানসকলে জাপানত বিদেশীসকলক প্ৰৱেশৰ সুবিধা দিয়াৰ পৰিপ্ৰেক্ষিতত জাপানত চ'গান বিৰোধী আৰু বিদেশী বিৰোধী সংগ্ৰাম আৰম্ভ হৈছিল। কিন্তু পাছলৈ জাপানৰ জনসাধাৰণে এই বিদেশী বণিকসকলক জৰিয়তে বাহিৰৰ জগতখনৰ লগত পৰিচিত হৈছিল। বহিৰ্জগতৰ লগত যোৱা সম্পৰ্কই জাপানৰ লোকসকলক পাশ্চাত্য দেশসমূহৰ বিজ্ঞান-প্ৰযুক্তি আৰু সাহিত্য-সংস্কৃতি বিকাশৰ বিষয়ে জ্ঞান দিছিল। ফলত জাপানৰ লোকসকলে নিজৰ দুৰ্বলতাসমূহ বিচাৰি উলিয়াই বিভিন্ন সংস্কাৰৰ জৰিয়তে নিজকে আধুনিক জগতৰ লগত খাপ খুৱাই চলিবলৈ চেষ্টা কৰিছিল। মেইজী প্ৰশাসনৰ সবল নেতৃত্বত জাপানে আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণত সফলতা লাভ কৰিছিল। অতি কম সময়ৰ ভিতৰতে জাপানে বিশ্বৰ অন্যান্য শক্তিশালী দেশসমূহৰ লগত সমানে যোজ মিলাব পৰা হৈছিল। জাপানৰ এই আত্মসন্মান বৃদ্ধি আৰু প্ৰতিৰক্ষা নীতিৰ ফলত জাপানে বিশ্বৰ এক অন্যতম শক্তিশালী দেশ হিচাপে পৰিগণিত হৈছিল।

P.T.O.

(i) চীন আৰু জাপানৰ মাজৰ সম্পৰ্ক :-

প্ৰথম অৱস্থাত চীনৰ লগত জাপানৰ সম্পৰ্ক বিশেষ সুবিধাজনক নাছিল। চীনদেশে নিজকে 'মধ্যদেশ' বুলিছিল আৰু নিজক লৈ অত্যন্ত উচ্চাভিলাষী ভাৱত বুৰ গৈ আছিল। অতীজৰ পৰাই চীন আৰু জাপান দুয়োখন দেশেই অকলশৰীয়া নীতি মানি চলিছিল। দুয়োখন দেশেই মধ্যযুগীয়া গোড়ামীৰ বাবে অন্য দেশৰ লগত সম্পৰ্ক স্থাপন কৰিব বিচৰা নাছিল। তাৰোপৰি চীনদেশৰ ভৌগলিক পৰিসৰ অত্যন্ত বিশাল হোৱাৰ বিপৰীতে জাপানৰ ভৌগলিক পৰিসৰ অতি সীমিত আছিল। প্ৰধানকৈ চাৰিটা দ্বীপৰ সমষ্টি জাপানক চীনদেশে পুতৌৰ দৃষ্টিৰে চোৱাৰ লগতে হেয় জ্ঞান কৰিছিল। পাশ্চাত্য শক্তিসমূহৰ আগমনৰ লগে লগে চীন আৰু জাপানৰ এই মধ্যযুগীয় গোড়ামী আৰু সংকীৰ্ণ নীতিৰ অন্ত পৰিছিল। চীনে পাশ্চাত্য দেশৰ আগমনত বাধা প্ৰদান কৰিছিল। আনহাতে, জাপানে প্ৰথম অৱস্থাত পাশ্চাত্য শক্তিসমূহৰ বিৰোধিতা কৰিলেও পাছলৈ পাশ্চাত্য আদৰ্শৰে নিজকে আধুনিক আৰু শক্তিশালী দেশ হিচাপে গঢ়ি তুলিছিল।

মেইজী পুনঃসংস্থাপনৰ পাছত জাপানৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি সকলো দিশতে পৰিৱৰ্তন হৈ জাপান বিশ্বৰ এক শক্তিশালী দেশ হিচাপে পৰিগণিত হৈছিল।

P.T.O.

জাপানে নিজৰ আত্মসন্মান বৃদ্ধি আৰু আত্মৰক্ষাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছিল। আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ লগে লগে জাপানে বিশ্বৰ অন্যান্য দেশবোৰৰ পৰা সমমৰ্য্যাদা বিচাৰিছিল। মেইজী পুনঃসংস্থাপনৰ আগতে বহিৰ্বিশ্বৰ দেশসমূহে জাপানৰ লগত যি অসমতুল চুক্তি স্বাক্ষৰ কৰিছিল, মেইজী প্ৰশাসনে সেই চুক্তিসমূহৰ সংশোধনী দাবী কৰিছিল। বিশ্বৰ অন্যান্য দেশৰ দৰেই চীনৰ লগতো জাপানে ভাল সম্পৰ্ক স্থাপন কৰিবলৈ ইচ্ছুক হৈ উঠিছিল।

## চীন আৰু জাপানৰ প্ৰথমখন চুক্তি :-

১৮৭১ চনত জাপান আৰু চীনৰ মাজত সু-সম্পৰ্ক গঢ়ি উঠিছিল। জাপানে চীনৰ লগত সম্পৰ্ক স্থাপনৰ জৰিয়তে চীনৰ পৰা বিচৰা প্ৰধান দাবী আছিল –

i) চীনৰ পৰা সম ব্যৱহাৰ আৰু শুভাকাংক্ষী ৰাষ্ট্ৰ হিচাপে স্বীকৃতি।
ii) চীনৰ অকণো অঞ্চলত জাপানীসকলক প্ৰৱেশৰ অনুমতি।

প্ৰথম অৱস্থাত জাপানৰ এই দাবী চীনে অস্বীকাৰ কৰিছিল যদিও জাপানে চীনৰ লগত সু-সম্পৰ্ক স্থাপনৰ চেষ্টা অব্যাহত ৰাখিছিল। ১৮৭১ চনত জাপানে কাউণ্ট ইটৌৰ নেতৃত্বত এক অজাতি দল চীনৰ লগত বাণিজ্যিক আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপনৰ বাবে পঠাইছিল। ইটৌৱে চীনত উপস্থিত হৈ লি-হুং-চাঙৰ লগত মিলিত হৈ এক চুক্তি সম্পাদিত কৰি স্বাক্ষৰ কৰিছিল। ১৮৭১ চনত টিয়েনষ্টিনত এই চুক্তি সম্পাদন কৰা হৈছিল। এই চুক্তিৰ দ্বাৰা —

i) দুয়োখন দেশেই অনাক্ৰমণ নীতি মানি চলিবলৈ সংকল্পবদ্ধ হৈছিল।

ii) কোনো তৃতীয় শক্তিয়ে কোনো এখন দেশক আক্ৰমণ কৰিলে পৰস্পৰে পৰস্পৰক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল।

iii) দুয়োখন দেশেই কিছুমান অতিৰিক্ত সুবিধা লাভ কৰিছিল।

এইদৰেই প্ৰথমবাৰৰ বাবে চীনৰ লগত জাপানৰ এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল। কিন্তু জাপানক শুভাকাংক্ষী ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত কিছু অসুবিধা আহি পৰিছিল। চীনে জাপানৰ লগত সু-সম্পৰ্ক স্থাপনৰ প্ৰধান কাৰণ আছিল পাশ্চাত্য সাম্ৰাজ্যবাদী শক্তিক প্ৰতিৰোধ কৰা। জাপানৰ লগতো চীনে লুচুদ্বীপ, ফৰমোচা আৰু কোৰিয়াৰ ক্ষেত্ৰত এক সঠিক নীতি নিৰ্ধাৰণ কৰিব খুজিছিল। এই অঞ্চলসমূহ চীনৰ অধীনৰ অঞ্চল হিচাপে জাপানে মানি লবলে নাই সেইকথা লি-হুং-চাং-এ কাৰ্টেন্ট ইটৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছিল। জাপানে ইতিমধ্যে পাশ্চাত্য আদৰ্শত অনুপ্ৰাণিত হৈ নিজকে এক সাম্ৰাজ্যবাদী শক্তি হিচাপে গঢ়ি তুলিব বিচাৰিছিল। গতিকে লুচুদ্বীপ, ফৰমোচা আৰু কোৰিয়াক জাপানে চীনৰ অধীনৰ অঞ্চল হিচাপে স্বীকৃতি দিবলৈ অমান্তি হৈছিল। ফলত দুয়োখন দেশৰ মাজৰ সম্পৰ্ক বেয়াৰ ফালে গতি কৰিছিল।

**লুচুদ্বীপকলৈ কাজিয়া :-**

১৮৭২ চনত জাপান আৰু চীনৰ মাজত এক মিত্ৰতাৰ

সম্পৰ্ক গঢ়ি লৈ উঠিছিল। অৱশ্যে এই সম্পৰ্ক বৰ বেছিদিন স্থায়ী নহ'ল। ১৮৭৪ চনত লুচুদ্বীপ অধিগ্ৰহণকালে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক বেয়াৰ ফালে যায়। লুচুদ্বীপৰ অধিবাসীসকলৰ জাপানৰ লগত তেজৰ আৰু ভাষিক সম্পৰ্ক আছিল। চতুৰ্দশ শতিকালৈ লুচুদ্বীপৰ অধিবাসীসকল কনফিউচিয়াৰ মতবাদত অনুপ্ৰাণিত হৈ চীনৰ কৰতলীয়া ৰাজ্য হিচাপে আছিল। কিন্তু পঞ্চদশ শতিকাত জাপানৰ সীনামণ্ট পৰিয়ালৰ লগত লুচুদ্বীপৰ ৰাজপৰিয়ালৰ লগত সম্পৰ্ক থকাৰ বাবে লুচুৰ লোকসকলে জাপানৰ অধীনতা মানি লয়। সপ্তদশ শতিকাত জাপানত চাতচুমা সামন্ত নেতাসকলে লুচুদ্বীপ আক্ৰমণ কৰি ইয়াৰ উত্তৰ অংশ অধিকাৰ কৰে। ফলত লুচুদ্বীপৰ উত্তৰাঞ্চলত জাপানৰ আধিপত্য স্থাপন হোৱাৰ বিপৰীতে দক্ষিণাঞ্চল কনফিউচিয়াচ আদৰ্শত চীনৰ অধীনত থাকে। ফলত উনৈশ শতিকালৈকে লুচুদ্বীপৰ বিভিন্ন অঞ্চল চীন আৰু জাপানৰ অধীনত আছিল। ১৮৭১ চনত লুচুৰ অধিবাসী কিছুমানে ফৰমোচা অঞ্চলত জাহাজতে উপদ্ৰৱ কৰাত ফৰ-মোচাৰ লোক কিছুমানে লুচুৰ এই উপদ্ৰৱকাৰীক কিছুমানক হত্যা কৰে। সেই সময়ত ফৰমোচা চীনৰ অধীনত আছিল। জাপানে তেওঁলোকৰ অধীনস্থ লুচুৰ অধিবাসীক হত্যা কৰাৰ বাবে চীনৰ পৰা ক্ষতিপূৰণ বিচাৰে। লগতে এই ঘটনাৰ বাবে চীনক ভুল স্বীকাৰ কৰিবলৈও দাবী জনায়। কিন্তু চীনে লুচুদ্বীপৰ ওপৰত জাপানৰ এই অধিকাৰ মানি নললে অস্বীকাৰ কৰাৰ লগতে জাপানৰ এই প্ৰস্তাৱ নাকচ কৰে। ফলত ১৮৭৪ চনত জাপানে ফৰমোচালৈ সামৰিক

অভিযান পঠায়। জাপানৰ সামৰিক বাহিনীয়ে ফৰ্মোচা অধিগ্ৰহণ কৰাৰ লগতে লুচুৰ ৰজাক জাপানৰ অধীনতা মানি লবলৈ জোৰ দিয়ে। জাপানে লুচুদ্বীপপুঞ্জ চীন আৰু জাপানৰ মাজত ভগাই লোৱাৰ প্ৰস্তাৱ দিছিল যদিও চীনে এই প্ৰস্তাৱ নাকচ কৰে। ফলত দুয়োখন দেশৰ মাজৰ সম্পৰ্ক বেয়াৰ ফালে যায়।

## বৃটেইনৰ মধ্যস্থতা :⇒

অৱশেষত বৃটেইনৰ মধ্যস্থতাত চীন আৰু জাপানৰ মাজত পুনৰ সু-সম্পৰ্ক স্থাপিত হয়। চাৰ থমাচ বেড নামৰ বৃটিছ বিষয়াজনৰ মধ্যস্থতাত চীন আৰু জাপানে এক বুজাবুজিত উপনীত হয়। এই বুজাবুজি অনুসৰি চীনে—

i) ফৰমোচাৰ লোকে হত্যা কৰা লুচুৰ লোক কেইজনৰ পৰিয়ালক ক্ষতিপূৰণ দিবলৈ মান্তি হয়।

ii) জাপানে ফৰমোচা দ্বীপত স্থাপন কৰা পথৰ খৰচ বহন কৰিবলৈ মান্তি হয়।

iii) ভৱিষ্যতে যাতে ফৰমোচাত আগৰ ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাবে চীনৰ প্ৰশাসনে দায়িত্ব লয়।

এই বুজাবুজিতে উপনীত হোৱাৰ পাছত জাপানে ফৰমোচাৰ পৰা নিজৰ সৈন্যবাহিনী অপসাৰিত কৰে।

## লুচু অধিগ্ৰহণ :⇒

লুচুদ্বীপবলৈ জাপান আৰু চীনৰ মাজৰ মনোমালিন্য

কিছু আম বাটিলেও ই সুবিধা পালেই স্বৰ দাঙি উঠিছিল। ১৮৭৯ চনত লুচুৰ ৰজাই টাকিম'ত যথন জাপানৰ প্ৰশাসনৰ লগত মিত্ৰতা কৰে। ফলত জাপানে লুচুদ্বীপ অধিগ্ৰহণ কৰাৰ লগতে লুচুৰ ৰজাৰ টাকিম'ৰ ৰাজপ্ৰসাদত অভিজাত হিচাপে থাকিবলৈ অনুমতি দিয়ে। জাপানৰ এনে কাৰ্য্যই চীনক পুনৰ ক্ষোভিত কৰি তোলে। চীনে পূৰ্বৰে পৰা জাপানৰ আক্ৰমণাত্মক নীতিৰ প্ৰতি সচেতন হৈ আছিল। লুচুদ্বীপ অধিগ্ৰহণক চীনে কনফিউচিয়াচৰ নীতি বিপৰীত কাৰ্য্য হিচাপে গণ্য কৰিছিল। এই কাৰ্য্যই চীন আৰু জাপানৰ মাজৰ সম্পৰ্ক অধিক তিক্ততাপূৰ্ণ কৰি তোলে।

## কোৰিয়াৰ প্ৰশ্ন :- (Korean Question) :-

কোৰিয়াক লৈ চীন আৰু জাপানৰ মাজৰ সম্পৰ্ক অধিক বেয়াৰ ফালে ঢাল খাইছিল। কোৰিয়াৰ অঞ্চলটো চীন আৰু জাপানৰ মাজত অৱস্থিত আছিল। অতীজৰ পৰাই চীন আৰু জাপানৰ দুয়োই কোৰিয়াইত অৱলম্বৰীয়া নীতি মানি চলিছিল। পাছলৈ কোৰিয়াই চীনৰ এখনৰ তলতীয়া ৰাজ্য হিচাপে আছিল। কিন্তু জাপানে লুচুদ্বীপ দখল কৰাৰ লগে লগে কোৰিয়াৰ প্ৰতিৰক্ষাৰ প্ৰতি চীন সচেতন হৈ উঠিছিল। সেই সময়ৰ পৰা কোৰিয়াৰ সামৰিক শক্তি বৃদ্ধি কৰাৰ ওপৰত চীনে গুৰুত্ব দিছিল। তাৰোপৰি কোৰিয়াৰ লগত কূটনৈতিক সম্পৰ্ক ৰক্ষা কৰি চলাৰ লগতে কোৰিয়াই আনে অন্যান্য সাম্ৰাজ্যবাদ বিৰোধী দেশসমূহৰ লগত মিত্ৰতা কৰে তাৰবাবে চীনে উৎসাহ যোগাইছিল।

১৮৬০ চনৰ পাছৰ পৰা পশ্চিমীয়া শক্তিসমূহে আহি কোৰিয়াৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল। সেই সমূহৰ ভিতৰত ১৮৬১ চনত বৃটেইন আৰু ৰাছিয়াই আৰু ১৮৬২ চনত ফ্ৰান্সে কোৰিয়াৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপনৰ চেষ্টা চলাইছিল।

পশ্চিমীয়া শক্তিসমূহে কোৰিয়াৰ লগত সম্পৰ্ক স্থাপন কৰাৰ ফলত জাপানৰো কোৰিয়াৰ ওপৰত চকু পৰিছিল। কাৰণ, ৰাছিয়াকে ধৰি পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিসমূহে কোৰিয়া দখল কৰিলে জাপানৰ আত্মৰক্ষাৰ প্ৰশ্ন আহিব পাৰে। মেইজী পুনঃসংস্থাপনৰ পাছৰ পৰাই জাপানে কোৰিয়াৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপনৰ চেষ্টা চলাই আহিছিল। ১৮৬৮ চনত জাপানৰ মেইজী পুনৰ্সংস্থাপনৰ খবৰ দিবলৈ জাপানে কোৰিয়ালৈ এক প্ৰতিনিধি দল প্ৰেৰণ কৰিছিল। ১৮৬৯ চনত আৰু ১৮৭১ চনতো জাপানে কোৰিয়ালৈ কূটনৈতিক সম্পৰ্ক স্থাপনৰ বাবে অনুৰোধ পঠাইছিল। কিন্তু জাপানৰ এই আগ্ৰহত কোৰিয়াই বিশেষ উৎসাহ প্ৰদৰ্শন কৰা নাছিল। কাৰণ কোৰিয়াৰ ৰজা-জন পশ্চিমীয়া শক্তি বিদ্বেষী আছিল। জাপানে পশ্চিমীয়া আদৰ্শ অনুসৰণ কৰা কাৰ্য্য কোৰিয়াই ভাল পোৱা নাছিল। তথাপি জাপানে কোৰিয়াৰ লগত সু-সম্পৰ্ক স্থাপনৰ চেষ্টা অব্যাহত ৰাখিছিল। ১৮৭৫ চনত কোৰিয়াৰ উপকূলত জাপানৰ জাহাজ এখন কোৰিয়াৰ লোকে জ্বলাই দিয়া

P.T.O.

কাৰ্য্যত জাপান উত্তেজিত নহৈ চীনৰ সহায়ত এই কথাৰ এক শান্তিপূৰ্ণ মীমাংসা কৰিব বিচাৰিছিল। কোৰিয়া যিহেতু চীনৰ এখন তলতীয়া ৰাজ্য আছিল সেয়েহে জাপানৰ প্ৰশাসনে মৰি অৰিনৰিৰ (Mori Arinori) নেতৃত্বত এক সজাতি দল পিকিংলৈ পঠাই কোৰিয়াৰ স্বাধীনতা তথা অক্ষুন্নতা ৰক্ষাৰ বাবে চীনৰ সহযোগিতা বিচাৰিছিল। চীনে জাপানক প্ৰত্যক্ষভাবে কোনো প্ৰতিশ্ৰুতি দিব পৰা নাছিল। কাৰণ এই কথা কোৰিয়াৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। তথাপি কোৰিয়াৰ ৰাজধানী চিউলত যাতে জাপানেও উপযুক্ত স্থান পায় তাৰবাবে চীনে জাপানক সহায়ৰ হাত আগবঢ়াইছিল।

**কিংগুৱা চুক্তি (Treaty of Kingwa) :⇒**

১৮৭৫ চনত জাপানৰ এখন জাহাজ কোৰিয়াৰ লোকে অগ্নিদগ্ধ কৰাৰ ঘটনাক জাপানৰ চামুৰাইসকলে সহজে মানি লব পৰা নাছিল। সেয়েহে তেওঁলোকে কোৰিয়াৰ লগত মুখামুখি যুদ্ধ কৰি ইয়াৰ প্ৰতিশোধ লব বিচাৰিছিল। কিন্তু চীনৰ সহযোগত জাপানৰ প্ৰশাসনে এই কথাৰ শান্তিপূৰ্ণ মীমাংসা কৰিছিল। জাপানে চীনৰ প্ৰশাসনৰ লগত চুক্তি কৰি পিকিংলৈ এক সজাতি দল পঠাইছিল। অন্য এক সজাতি দল কোৰিয়ালৈ প্ৰেৰণ কৰি কোৰিয়াৰ পৰা ১৮৭৫ চনৰ ঘটনাৰ ক্ষতিপূৰণ দাবী কৰাৰ লগতে এক চুক্তিত উপনীত হব বিচাৰিছিল। ফলত ১৮৭৬ চনৰ ২৬ ফেব্ৰুৱাৰীত জাপান আৰু কোৰিয়াৰ

মাজত এক বন্ধুত্ব আৰু বাণিজ্য চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তি কিংগুৱা চুক্তি হিচাপে জনাজাত। এই চুক্তিৰ ফলত কোৰিয়াই পূৰ্বৰ নীতি সলনি কৰি জাপান তথা অন্যান্য ইউৰোপীয় শক্তিসমূহৰ লগত সম্পৰ্ক স্থাপনৰ বাবে ৰাজী হৈছিল। এই চুক্তিৰ ফলত কোৰিয়াই পূৰ্বৰ জাপানে কোৰিয়াৰ স্বাধীনতা স্বীকৃত ~~কৰি~~ কৰাৰ লগতে জাপানৰ সৈতে একেই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী হিচাপে মানি লৈছিল। ইয়াৰদ্বাৰা জাপানে কোৰিয়াৰ ওপৰত চীনৰ আধিপত্য ক্ষমাৱ বিচাৰিছিল। কিন্তু কোৰিয়াৰ বহুলোকে এই সিদ্ধান্ত মানি ল'ব পৰা নাছিল। কাৰণ পুৰণি ৰীতিত বিশ্বাসী তথা গোড়া লোকসকলে কোৰিয়া কনফিউচিয়াচৰ আদৰ্শত থাকি চীনৰ অধীনত থকাটো বিচাৰিছিল। ফলত কোৰিয়াৰ লোক-সকল দুটা ভাগত বিভক্ত হৈ পৰিছিল।

i) জাপানৰ সমৰ্থনকাৰীসকলে জাপানৰ আৰ্হিত পাশ্চাত্য আদৰ্শ অনুসৰণ কৰি কোৰিয়াক আধুনিকতাৰ পথত আগুৱাই নিব বিচাৰিছিল।

ii) পুৰণি ৰীতি-নীতিত বিশ্বাসী লোকসকলে বিদেশীসকলক বিৰোধিতা কৰাৰ লগতে সকলো ধৰণৰ পৰিৱৰ্তনৰ বিৰোধিতা কৰিছিল।

এই দুয়োদলৰ মাজত মতানৈক্য ইমান বৃদ্ধি পাইছিল যে ই সংঘৰ্ষৰ ৰূপ লৈছিল। এনে পৰিস্থিতিৰ সুবিধা লৈ জাপানে জাপানৰ আদৰ্শত বিশ্বাসীসকলক সমৰ্থন দিছিল আৰু গোড়া লোকসকলক বশ কৰাৰ বাবে অনুপ্ৰাণিত কৰি-ছিল। জাপানে চীনৰ প্ৰশাসনৰ সন্মুখতাৰ অবিহনেই কোৰিয়াৰ

P.T.O.

লগত এক চুক্তি কৰি বন্ধু স্থিতিশীলতা আদান কৰিছিল। এই কথাৰ বিপৰীতে চীনৰ সামৰিক বাহিনীৰ লোকসকলে কোৰিয়া দখল কৰি জাপানৰ লগত মুখামুখি যুদ্ধ কৰিবৰ বাবে সাজু হৈছিল।

১৮৮৪ চনত কোৰিয়াৰ প্ৰগতিশীল লোকসকলে কোৰিয়াৰ ৰজাক সিংহাসন পৰা গাদীচ্যুত কৰাৰ লগতে নিজৰ সুৰক্ষাৰ বাবে জাপানৰ সামৰিক বাহিনীৰ সহায় বিচাৰিল। কোৰিয়াত থকা চীনৰ বিষয়া ইউৱান-চি-কেই (Yuan Shih Kei) কোৰিয়াৰ ৰজাক সহায় কৰিবলৈ চিন্তিলে আগুৱাই গৈও ব্যৰ্থ হৈছিল। কাৰণ ইতিমধ্যেই জাপানৰ সামৰিক বাহিনীয়ে কোৰিয়াৰ ৰাজপ্ৰসাদ দখল কৰিছিল। ইয়াৰ ফলত চীন আৰু জাপানৰ সামৰিক বাহিনীৰ মাজত মুখামুখি যুদ্ধ আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত চীনৰ সামৰিক বাহিনীয়ে জাপানৰ সৈন্যসকলক উপকূল অঞ্চললৈ অপসাৰিত কৰাৰ লগতে কোৰিয়াৰ ৰজাক পুনৰ সিংহাসনত অধিষ্ঠিত কৰিছিল। কিন্তু সেই সময়তে চীনে ফ্ৰান্সৰ লগত অন্য এক সংঘৰ্ষত লিপ্ত হোৱাত কোৰিয়াক সহায় কৰিব নোৱাৰা হয়। এনে পৰিস্থিতিৰ সুবিধা লৈ ১৮৮৫ চনৰ ৯ জানুৱাৰীত জাপানে কোৰিয়াৰ লগত এখন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তি অনুসৰি —

i) কোৰিয়াই জাপানৰ ওপৰত দোষ স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰাৰ লগতে দোষীসকলক শাস্তি বিধাৰ কথা দিয়ে।

ii) এই যুদ্ধৰ এক মোটা পৰিমাণৰ ক্ষতিপূৰণ দিবলৈ বাধ্য হয়।

iii) কোৰিয়াই জাপানী লিগেচনত বেৰেক সজাৰ বাবে মান্তি হয়।

## টিয়েনষ্টিন কনভেনচন (Tienstin Convention) :⇒

চীন আৰু জাপানৰ মাজত কোৰিয়াৰ প্ৰশ্ন লৈ এক মুখামুখি যুদ্ধৰ আৰম্ভণি হৈছিল। যদিও সেই সময়ত দুয়োখন দেশেই এই যুদ্ধৰ বাবে সম্পূৰ্ণ সাজু নাছিল। সেয়েহে শান্তিপূৰ্ণ উপায়েৰে এই বিবাদৰ মীমাংসা কৰিবৰ বাবে ১৮৮৫ চনৰ ১৮ এপ্ৰিলত টিয়েনষ্টিনত এক সন্মিলনীৰ আহ্বান কৰে। এই সন্মিলনত চীনৰ প্ৰতিনিধি হিচাপে লি-হুং-চাং (Li-Hung-Chang) আৰু জাপানৰ প্ৰতিনিধি হিচাপে কাউণ্ট ইটো (Count Ito) উপস্থিত আছিল। এই সন্মিলন লি-ইটো সন্মিলন বা টিয়েনষ্টিন সন্মিলন হিচাপে জনাজাত আছিল। এই সন্মিলনৰ প্ৰধান সিদ্ধান্ত আছিল —

i) চীন আৰু জাপানৰ দুয়োখন দেশেই চাৰিমাহৰ ভিতৰত কোৰিয়াৰ পৰা নিজ নিজ দেশৰ সৈন্যবাহিনী অপসাৰিত কৰিব।

ii) ভৱিষ্যতে কোৰিয়াৰ কিবা সংকট উপস্থিত হলেও দুয়োখন দেশেই ইখনে সিখনক আগজাননী দিহে সৈন্য-বাহিনী প্ৰেৰণ কৰিব।

iii) কোৰিয়াৰ সাৰ্বভৌমত্ব দুয়োখন দেশেই স্বীকাৰ কৰিব আৰু কোৰিয়াৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰিব।

iv) বিদেশী শক্তিৰ সহযোগত কোৰিয়াই নিজ দেশৰ সৈন্যবাহিনী পুনৰ সংগঠিত কৰিব।

v) সামৰিক বাহিনীৰ পুনৰ সংগঠনৰ ক্ষেত্ৰত জাপান আৰু চীনে কোৰিয়াৰ প্ৰশাসনৰ সিদ্ধান্তত হস্তক্ষেপ নকৰিব।

লি-ইটো ঘোষণা পত্ৰৰ মতে জাপানে কোৰিয়াত কূট-নৈতিক দিশত লাভবান হৈছিল। কাৰণ ইয়াৰদ্বাৰা চীনৰ কোৰিয়াৰ ওপৰত থকা ক্ষমতা বহুখিনি হ্ৰাস পাইছিল। সামৰিক দিশত কোৰিয়াৰ জাপান আৰু চীনে কৰ্তৃত্ব সমানে লাভ কৰিলে। কিন্তু বাস্তৱ ক্ষেত্ৰত এই সন্মিলনৰ পাছৰ পৰা কোৰিয়াৰ ওপৰত চীনৰ প্ৰভাৱ পূৰ্বৰ তুলনাত অধিক বৃদ্ধি পাইছিল। চীনৰ প্ৰতি আনুগত্য থকা লোকসকলৰ প্ৰভাৱো কোৰিয়াৰ ৰাজপ্ৰসাদত বৃদ্ধি পাইছিল। জাপানৰ সমৰ্থনকাৰী তথা প্ৰগ্ৰেচিভসকলক ক্ৰমে কোৰিয়াৰ প্ৰশাসনৰ পৰা বাহিৰ কৰা হৈছিল। তেওঁলোকৰ কেইজনকে হত্যা কৰাৰ লগতে বহুতক অত্যাচাৰ কৰাত তেওঁলোকে পলাই গৈ জাপানত আশ্ৰয় লৈছিলগৈ। ১৮৮৫ চনৰ পৰা ১৮৯৪ চনৰ ভিতৰত চীনৰ প্ৰভাৱ কোৰিয়াৰ ওপৰত ইমান বৃদ্ধি পাইছিল যে কোৰিয়া সম্পূৰ্ণৰূপে চীনৰ ওপৰত নিৰ্ভৰশীল আৰু চীনৰ ৰক্ষণাবেক্ষণত থকা দেশ হিচাপে পৰিগণিত হৈছিল।

কোৰিয়াৰ সৈন্যবাহিনীৰ পুনৰ গঠনৰ বাবে ৰাছিয়াৰ উপদেষ্টা নিয়োগ কৰা হৈছিল। ৰাছিয়াৰ বিষয়াসকলৰ নেতৃত্বত কোৰিয়াৰ সৈন্যবাহিনীৰ পুনৰ গঠনৰ যি কাম আৰম্ভ হৈছিল, সেই কামৰ বিনিময়ত ৰাছিয়াই কোৰিয়াৰ পৰা লাজাৰেফ (Lazareff) নামৰ বন্দৰটো নৌ সেনাবাহিনী বাবে লাভ কৰিছিল। ৰাছিয়াই এনেদৰে কোৰিয়াত নৌ

সেনাবাহিনী বাবে লাভ কৰিছিল। ৰাছিয়াই এনেদৰে কোৰিয়াত নৌ সেনাবাহিনী ৰখাৰ কথাই চীন, জাপান আৰু ইংলেণ্ডক ভীতিগ্ৰস্ত কৰি তুলিছিল। পাছত চীনৰ দাবী অনুসৰি কোৰিয়াৰ সৈন্যবাহিনীৰ পুনৰ গঠন কাৰ্য্যত ৰাছিয়াৰ সলনি আমেৰিকাৰ বিষয়াক নিয়োগ কৰা হৈছিল। ১৮৮৯ চনৰপৰা ১৮৯৪ চনলৈ কোৰিয়াক লৈ পশ্চিমীয়া শক্তিৰ আৰু চীন আৰু জাপানৰ মাজত বিভিন্ন অবিশ্বাস চলিছিল। অৱশেষত ৰাছিয়া আৰু আমেৰিকাই কোৰিয়াৰ পৰা নিজ নিজ উপদেষ্টাসকলক আঁতৰাই নিয়াৰ পাছত চীন আৰু জাপানৰ মাজত কোৰিয়াক লৈ মুখামুখি যুদ্ধ আৰম্ভ হয়।

**চীন আৰু জাপানৰ মাজৰ যুদ্ধ (১৮৯৪-১৮৯৫) Chino-Japanese War 1894-1895) :->**

মেইজী পুনঃ সংস্থাপনৰ পাছত কেইবছৰমান চীন আৰু জাপানৰ মাজৰ ভাল সম্পৰ্ক গঢ়ি উঠিছিল। কিন্তু লুচুদ্বীপ, ফৰমোচা আৰু কোৰিয়াক লৈ চীন আৰু জাপানৰ মাজত মাজে মাজে বিবাদৰ সূত্ৰপাত হৈছিল। পাছলৈ চীন আৰু জাপানৰ মাজত ১৮৯৪-১৮৯৫ চনত মুখামুখি যুদ্ধ আৰম্ভ হৈছিল। চীন আৰু জাপানৰ মাজত এই যুদ্ধৰ প্ৰধান কাৰণ আছিল —

i) কোৰিয়াত ৰাছিয়াৰ আধিপত্য বিস্তাৰ. (Russian Expansion in Korea).

ii) জাপানৰ কোৰিয়াত অৰ্থনৈতিক আগ্ৰহ বৃদ্ধি (Economic interest of Japan in Korea).

iii) কোৰিয়াত হোৱা গৃহসমস্যা ।
(Domestic trouble in Korea).

iv) জাপানত ইটো'ৰ প্ৰশাসকৰ বিৰোধিতা ।
(Opposition of Ito's Government in Japan)

v) কোৰিয়াৰ প্ৰতি চীনৰ নীতি সলনি ।
(Change of China's Policy to Korea).

vi) টং-হক বিদ্ৰোহ ।
(The Tong-Hak Rebellion of 1894) ইত্যাদি ।

কোৰিয়া অঞ্চলত ৰাছিয়াৰ আধিপত্য বৃদ্ধি চীন আৰু জাপানৰ মাজত হোৱা যুদ্ধৰ এক অন্যতম কাৰণ। ৰাছিয়াই পূৰ্বৰে পৰা কোৰিয়াৰ বন্দৰত নিজ প্ৰভাৱ প্ৰতিষ্ঠা কৰিব বিচাৰি আছিল। কোৰিয়াই নিজৰ সৈন্যবাহিনীৰ পুনৰ সংগঠনৰ বাবে ৰাছিয়াৰ সহায় বিচাৰিছিল। ৰাছিয়াই এই কাৰ্য্যত কোৰিয়াক সহায় কৰিবৰ বাবে অভিজ্ঞ লোকক কোৰিয়ালৈ পঠাইছিল। ইয়াৰ বিনিময়ত কোৰিয়াৰ এটা অন্যতম বন্দৰ লাজাৰেফত ৰাছিয়াৰ নৌ বাহিনী ৰাখিবৰ বাবে কোৰিয়াই ৰাছিয়াক অনুমতি দিছিল। ১৮৮৪ চনত ৰাছিয়াই এই বন্দৰটো নিজ হিচাপে লাভ কৰিছিল। ১৮৯১ চনত ৰাছিয়াই ট্ৰেনচ্ চাইবেৰিয়ান ৰেললাইন (Trans-Siberian-Railway) প্ৰতিষ্ঠা কৰিছিল। ৰাছিয়াৰ এই কাৰ্য্যই কোৰিয়াৰ সামৰিক আৰু ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱ পেলাইছিল। সেয়েহে কোৰিয়াত ৰাছিয়াৰ এই বৰ্দ্ধিত প্ৰভাৱ জাপানে সহজভাৱে লব পৰা নাছিল।

কোৰিয়াক ৰাছিয়াৰ প্ৰভাৱৰপৰা মুক্ত কৰিবৰ বাবে এক জনসচেতনতাৰ জৰিয়তে সংগ্ৰাম আৰম্ভ কৰিবলৈ জাপানে কোৰিয়াত লোকসকলক অনুপ্ৰেৰণা যোগাইছিল। কিন্তু জাপানৰ এই কাৰ্য্য চীনে পছন্দ কৰা নাছিল। পাশ্চিমীয়া শক্তিবিৰোধী চীন তথা অন্যান্য কোৰিয়াৰ লোকসকলে এই কাৰ্য্যত জাপানৰ বিৰোধিতা কৰিছিল। ফলত চীন আৰু জাপানৰ মাজত সম্পৰ্ক বেয়া হৈছিল।

কোৰিয়াত জাপানৰ অৰ্থনৈতিক আগ্ৰহ বৃদ্ধি পোৱাৰ ফলত চীন আৰু জাপানৰ মাজৰ সম্পৰ্ক বেয়াৰ ফালে গৈছিল। দক্ষিণ-পূৱ এছিয়া তথা সুদূৰ প্ৰাচ্যৰ এমন উল্লেখযোগ্য ধান উৎপন্নকাৰী দেশ আছিল কোৰিয়া। কিন্তু কোৰিয়াই আইনৰ জৰিয়তে ধানৰ ৰপ্তানি বন্ধ কৰিছিল। ফলত অন্য দেশৰ লগতে জাপানো খাদ্য সংকটৰ সন্মুখীন হব লগা হৈছিল। ১৮৯৪ চনত ধানৰ ৰপ্তানিৰ ক্ষেত্ৰত থকা এই প্ৰতিবন্ধকতা উঠাই লবৰ বাবে জাপানৰ প্ৰশাসনে কোৰিয়াৰ প্ৰশাসনক জোৰ দিছিল। জাপানৰ এজেণ্টসকলে কোৰিয়াৰ পৰা ধান ক্ৰয় কৰিবলৈ আৰম্ভ কৰিছিল। ফলত অতি কম সময়ৰ ভিতৰতে কোৰিয়াত ধানৰ মূল্য বহু পৰিমাণে বৃদ্ধি পাইছিল। ধানৰ মূল্যবৃদ্ধিৰ কাৰণে কোৰিয়াৰ লোকসকলে জাপানকে দোষাৰোপ কৰিছিল।

অতি কম সময়ৰ ভিতৰতে কোৰিয়াত জাপানৰ বাণিজ্যিক সম্প্ৰসাৰণ দ্ৰুতগতিত বৃদ্ধি পাইছিল।

জাপানে কোৰিয়াৰ স্বাধীনতা তথা অখণ্ডতা ৰক্ষাৰ প্ৰতি সদায় সচেতন আছিল। কিন্তু কোৰিয়াত হৈ থকা বিভিন্ন আভ্যন্তৰিণ সংকটে চিউলৰ ৰাজপ্ৰাসাদত অস্থিৰতাৰ সৃষ্টি কৰিছিল। কোৰিয়াৰ এনে আভ্যন্তৰিণ মেলিমেলিৰ ফলত বিদেশী ৰাষ্ট্ৰসমূহে আহি কোৰিয়াত বিভিন্ন সুবিধা আদায় কৰিব পাৰে বুলি জাপান সন্ত্ৰস্ত হৈ উঠিছিল। সেয়েহে কোৰিয়াত আভ্যন্তৰিণ সংকট দূৰ কৰিবৰ বাবে কেইসময়ত জাপানে কোৰিয়াৰ আভ্যন্তৰিণ ক্ষেত্ৰত হস্তক্ষেপ কৰিছিল। কিন্তু কোৰিয়াৰ আভ্যন্তৰিণ ক্ষেত্ৰত জাপানৰ হস্তক্ষেপ চীনে সহজভাৱে লব পৰা নাছিল। কাৰণ পূৰ্বৰেপৰা জাপানতকৈ চীনে কোৰিয়াৰ লগত সম্পৰ্ক ঘনিষ্ঠ কৰে ৰাখি আছিল। কোৰিয়াত জাপানৰ এই আগ্ৰহ বৃদ্ধিৰ বাবে চীন আৰু জাপানৰ মাজৰ সম্পৰ্ক অধিক বেয়া হৈছিল।

জাপানৰ ৰাজনৈতিক পৰিস্থিতিৰ বাবেও চীন আৰু জাপানৰ মাজৰ সম্পৰ্ক বেয়াৰ ফালে গৈছিল। মেইজী পুনৰুত্থানৰ পাছত জাপানত কেইবাটাও ৰাজনৈতিক দলৰ উত্থান ঘটিছিল। সেই সময়ত জাপানত

কাৱোৰ্টইটৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হৈছিল। কিন্তু জাপানৰ অন্যান্য ৰাজনৈতিক দলসমূহে প্ৰধানমন্ত্ৰী ইটৰ নেতৃত্বত শান্তিকামী দলবৰ্দ্ধাৰা চলোৱা প্ৰশাসনৰ বিভিন্ন অজুহাতত বিৰোধিতা হৈছিল। ইটো এজন সুদক্ষ ৰাজনীতিবিদ আছিল। জাপানৰ এই ৰাজনৈতিক দলসমূহৰ মনোযোগ অন্যফালে আকৰ্ষণ কৰিব পাৰিলে তেওঁ সুস্থিৰে প্ৰশাসন চলাব পাৰিব বুলি বুজি উঠিছিল। সেয়েহে বৈদেশিক শক্তিৰ লগত যুদ্ধ লগাব পাৰিলে পাৰিস্থিতিৰ কবলত পৰি জাপানৰ সকলো ৰাজনৈতিক দলে ইটৰ প্ৰশাসনক সমৰ্থন জনাব বুলি ভাবি তেওঁ চীনৰ লগত যুদ্ধত পোষকতা কৰিছিল।

চীনেও বিভিন্ন কাৰণত জাপানৰ লগত এখন যুদ্ধত অৱতীৰ্ণ হবৰ বাবে আগ্ৰহী হৈ উঠিছিল। বহুদিনৰ পৰাই কোৰিয়াৰ ওপৰত চীনৰ কৰ্তৃত্ব চলি আহিছিল। কোৰিয়া চীনৰ অধীনৰ দেশ হিচাপে চীনে ৰক্ষণাবেক্ষণ দিছিল। কিন্তু কোৰিয়াৰ আভ্যন্তৰিণ ক্ষেত্ৰত চীনে কোনো দিনে হস্তক্ষেপ কৰা নাছিল। ইফালে জাপানে কোৰিয়াত নিজৰ প্ৰভাৱ বৃদ্ধি কৰাৰ লগতে চিওলৰ ৰাজপ্ৰসাদৰ আভ্যন্তৰীণ নীতিতো হস্তক্ষেপ কৰি নিজৰ কৰ্তৃত্ব স্থাপনৰ চেষ্টা অব্যাহত ৰাখিছিল। ফলত চীনেও কোৰিয়াৰ ওপৰত অহস্তক্ষেপ নীতি পৰিহাৰ কৰিছিল। জাপানৰ কোৰিয়াৰ

P.T.O.

উপৰত চলোৱা কর্তৃত্ব সকলো ক্ষেত্ৰতে চীনে প্ৰতিৰোধৰ চেষ্টা চলাবলৈ আৰম্ভ কৰিছিল। ফলত চীন আৰু জাপানৰ মাজত মনোমালিন্য বৃদ্ধি পাইছিল। তাৰোপৰি চীনৰ পিকিং প্ৰশাসনেও কোৰিয়াৰ লগত সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত কিছু নতুনত্ব আনিব বিচাৰিছিল। কোৰিয়াত থকা চীনৰ ভাইচৰয় লি-হুং-চাঙক তেওঁৰ দুৰ্বল কূটনৈতিক সম্পৰ্ক ৰক্ষাৰ বাবে চীনৰ লোকসকলে কঠোৰ সমালোচনা কৰা আৰম্ভ কৰিছিল। ফলত লি-হুঙে কোৰিয়াত তেওঁৰ নমনীয় নীতিৰ পৰিবৰ্তন কৰিছিল। চীনৰ লোকসকলৰ লগতে পিকিং প্ৰশাসনৰ ওচৰত নিজৰ স্থিতি সবল কৰিবৰ বাবে লি-হুঙে জাপানৰ প্ৰতি কঠোৰ নীতি অৱলম্বন কৰিছিল। কোৰিয়াত জাপানে সিবোলো ব্যৱস্থা হাতত ললে লি-হুঙে-তাৰ বিৰোধিতা কৰা আৰম্ভ কৰিছিল। এই কাৰ্যই চীনৰ প্ৰশাসনৰ লগত জাপানৰ প্ৰশাসনৰ সম্পৰ্ক বেয়া কৰি তুলিছিল। বহুদিন ধৰি চলি থকা এই কোৰিয়াৰ প্ৰশ্নৰ সমাধানৰ বাবে দুয়োখন দেশেই এক সুযোগ সময়ৰ বাবে আগ্ৰহী হৈ উঠিছিল।

বহুদিনৰ পৰা চীন আৰু জাপানৰ মাজত কোৰিয়াৰ প্ৰশ্ন লৈ যি মনোমালিন্য চলি আহিছিল, দক্ষিণ কোৰিয়াত হোৱা এক বিদ্ৰোহে এই মনোমালিন্যক মুখামুখি যুদ্ধত অৱতীৰ্ণ কৰাইছিল। দক্ষিণ কোৰিয়াত সেই সময়ত থকা এক উল্লেখযোগ্য নিষিদ্ধ সংগঠন আছিল টংহক (Tong Hok)। এই সংগঠনটো উগ্ৰজাতীয়তাবাদী আৰু খ্ৰীষ্টান বিৰোধী আছিল। এই সংগঠন

P.T.O.

"ইষ্টাৰ্ণ লাৰনিং ছ'ছাইটি" (Eastern Learning Society) হিচাপেও জনাজাত আছিল। পূৰ্বতে এক ধৰ্মীয় সংগঠন হিচাপে থকা এই সংগঠনটো পাছলৈ খ্ৰীষ্টান-বিৰোধী আৰু বিদেশী-বিৰোধী হোৱাৰ লগতে জাপান বিৰোধীও হৈ পৰিছিল। কোৰিয়াৰ দক্ষিণাঞ্চলৰ প্ৰদেশসমূহত এই সংগঠনটোৱে বিদ্ৰোহ আৰম্ভ কৰিছিল। কোৰিয়াৰ প্ৰশাসনে এই বিদ্ৰোহ দমনৰ বাবে সৈন্যবাহিনী প্ৰেৰণ কৰিছিল যদিও কোৰিয়াৰ সৈন্যবাহিনী সেই বিদ্ৰোহ দমন কৰিবলৈ ব্যৰ্থ হৈছিল। ফলত কোৰিয়াই এই বিদ্ৰোহ দমনৰ বাবে চীনৰ ওচৰত সহায় বিচাৰিছিল। চীনে কোৰিয়াৰ প্ৰশাসনক বিদ্ৰোহ দমনৰ বাবে সৈন্য-বাহিনী প্ৰেৰণ কৰাৰ লগতে জাপানৰ প্ৰশাসনলৈও এই সৈন্য প্ৰেৰণৰ খবৰ পঠিয়াইছিল। কাৰণ পূৰ্বৰ টিয়েনষ্টিন সন্মিলনৰ সিদ্ধান্ত অনুসৰি ভৱিষ্যতে কোৰিয়াৰ প্ৰতিবস্থাৰ ক্ষেত্ৰত সৈন্য বাহিনী পঠালে চীন আৰু জাপান দুয়োখন দেশেই ইখনে সিখনক আগতীয়াকৈ জনাব বুলি উল্লেখ কৰা আছিল। চীনে জাপানলৈ সৈন্য প্ৰেৰণৰ খবৰ পঠাওতে কোৰিয়াক নিজৰ তলতীয়া ৰাজ্য (Tributary state) বুলি উল্লেখ কৰিছিল। এই খবৰ পাই জাপানেও কোৰিয়ালৈ নিজৰ সৈন্যবাহিনী প্ৰেৰণ কৰিছিল।

কোৰিয়াৰ পৰা জাপানে উচিত প্ৰত্যুত্তৰ নোপোৱাত জাপানী সৈন্যই কোৰিয়াৰ ৰাজপ্ৰসাদ আক্ৰমণ কৰে। ইয়াৰ লগে লগে চীন আৰু জাপানৰ মাজত হোৱা পূৰ্বৰ চুক্তি বাতিল হয় আৰু চীনৰ সৈন্যবাহিনী কোৰিয়াৰ পৰা অপসাৰিত কৰিবলৈ দাবী জনায়। চীনেও ইয়াৰ প্ৰতিবাদত জাপানৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰে। ১৮৯৪ চনত ১ আগষ্টত এই চীন জাপান যুদ্ধ আৰম্ভ হয়।

ইউৰোপীয় শক্তিসমূহে এই যুদ্ধৰ প্ৰতি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ প্ৰকাশ কৰিছিল। প্ৰথম অৱস্থাত জাপানে কোৰিয়া দখলৰ চেষ্টা চলাইছে বুলি ভাবি তেওঁলোকে চীনৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

ইংলেণ্ড আৰু ৰাছিয়াই সাম্ৰাজ্য বিস্তাৰ নীতিৰ বিৰোধিতা কৰি চীনক সমৰ্থ দিছিল। কিন্তু জাপানে অতি কম সময়ৰ ভিতৰতে পাশ্চাত্য দেশসমূহৰ এই ভুল ভাঙি দিছিল। জাপানে পশ্চিমীয়া শক্তিসমূহক স্পষ্টভাৱে জনাই দিছিল যে কোৰিয়া দখলৰ বাবে জাপানৰ কোনো অভিপ্ৰায় নাই বৰং সংস্কাৰৰ জৰিয়তে কোৰিয়াক আধুনিকতাৰ পথলৈ আগুৱাই নিবৰ বাবেহে জাপানে এই প্ৰচেষ্টা হাতত লৈছে। অৱশেষত জাপানৰ সামৰিক শক্তিৰ ওপৰত অনুমান নথকা পশ্চিমীয়া দেশসমূহে জাপানৰ এই কথা বিশ্বাসত ল'ব পৰা নাছিল। জাপানে কোৰিয়াত চীনৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰি–

আৰু পিংয়াং আৰু য়েল'ত হোৱা যুদ্ধত অতি সহজেই জয়লাভ কৰিছিল। পৰিস্থিতি বিষম দেখি বৃটেইন, ফ্ৰান্স, ৰাছিয়া, জাৰ্মানী আৰু আমেৰিকাক মধ্যস্থতাৰ জৰিয়তে এই যুদ্ধ নিয়ন্ত্ৰণ কৰিবলৈ আহ্বান জনাইছিল। কিন্তু জাৰ্মানী আৰু আমেৰিকাই এই কথাত সমৰ্থন নিদিয়াত পশ্চিমীয়া শক্তিৰ এই যুদ্ধ প্ৰতিৰোধৰ আঁচনি ব্যৰ্থ হৈছিল।

১৮৯৪ চনৰ চেপ্টেম্বৰৰ ভিতৰত পিংয়াং আৰু য়েল'ত হোৱা যুদ্ধত জাপানৰ জয়লাভ হৈছিল। ১৮৯৫ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহৰ ভিতৰত জাপানী সৈন্যই মাঞ্চুৰিয়া দখল কৰাৰ লগতে নিউচুং অঞ্চললৈ আগুৱাই গৈছিল। চানটুং প্ৰদেশৰ নৌ ঘাটিসমূহ জাপানী সৈন্যই দখল কৰিছিল। অতি কম সময়ৰ ভিতৰতে জাপানী সৈন্যই উত্তৰ চীনৰ ওৰলৈকে অঞ্চলো-বোৰ অঞ্চল দখল কৰি ৰাজধানী পিকিং অভিমুখে অভিযানৰ বাবে সাজু হৈছিল। চীনে সকলো ঠাইতে পৰাস্ত হোৱাৰ পাছত জাপানৰ সৈতে মিমাংসাৰ বাবে আগ্ৰহী হৈ উঠিছিল। সেই সময়তে আমেৰিকাই মধ্যস্থতাৰ বাবে আগবাঢ়ি আহি-ছিল। কিন্তু আমেৰিকাৰ মধ্যস্থতাৰো অস্বীকাৰ কৰাৰ লগতে চীনে নিজেই আপোচৰ বাবে আগবাঢ়ি আহিব লাগে বুলি ঘোষণা কৰিছিল। ফলত লিং-হুং চাঙ শান্তি স্থাপনৰ বাবে জাপানলৈ প্ৰস্তাৱ প্ৰেৰণ কৰি মানুহ পঠাইছিল। কিন্তু তাতো তেওঁ ব্যৰ্থ হৈছিল। উপায়ন্তৰ হৈ লি-হুঙ নিজেই শান্তি স্থাপন তথা মিত্ৰতা স্থাপনৰ বাবে জাপানলৈ আহিছিল।

## চিমʼনʼচেকিৰ চুক্তি, ১৮৯৫ :→
## (Treaty of Shimonoseki, 1895)

লিং-হুং আহি জাপানত উপস্থিত হোৱাৰ পাছত শান্তি আলোচনাৰ বাবে প্ৰশাসনৰ লগত মিলিত হয়। এনে সময়তে হোৱা এক অপ্ৰীতিকৰ ঘটনাই জাপানৰ প্ৰশাসনক নমনীয় হবলৈ বাধ্য কৰায়। জাপানৰ এজন উগ্ৰ দেশপ্ৰেমিকে লি-হুংক হত্যাৰ চেষ্টা কৰি আঘাত কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত জাপানৰ প্ৰশাসনে ক্ষমা প্ৰাৰ্থনা বিচৰাৰ লগতে চীনৰ লগতে মোকাবিলা কৰি শান্তিচুক্তিত স্বাক্ষৰ কৰিবলৈ বাধ্য হয়। ফলত ১৮৯৫ চনৰ ১৭ এপ্ৰিলত চিমʼনʼচেকিত চীন আৰু জাপানৰ মাজত এক চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ সংশোধিনী অন্য এক চুক্তি ১৮৯৫ চনৰ ৯ মেত পিকিঙত স্বাক্ষৰিত কৰা হয়।

এই চুক্তিৰ প্ৰধান চৰ্তবোৰ আছিল —

i) চীনে কোৰিয়াৰ স্বাধীনতা মানি লৈছিল।

ii) চীনে জাপানক লাওটুং উপকূল (Liaotung Peninsula)কে ধৰি দক্ষিণ মাঞ্চুৰিয়া অঞ্চলৰ আৰ্থাৰ বন্দৰ (Arthur port) ফৰমোচা আৰু পিচেডʼৰ দ্বীপ (Pescador Island) এৰি দিছিল।

iii) চীনে যুদ্ধৰ ক্ষতিপূৰণ হিচাপে জাপানক বিছ কোটি টেল সাত বছৰৰ ভিতৰত দিবলৈ মান্তি হৈছিল।

iv) চীনে জাপানৰ বাবে অন্য চাৰিটা বন্দৰ মুকলি কৰি দিছিল। এই বন্দৰকেইটা হ'ল হুপে প্ৰদেশৰ চেনচি (Shansi in Hupeh), চিজোৱাৰ চুঙ্কিং (Chung-King in Szechwan) কিয়াংচুৰ চুচ' (Soochoo in Kiangsu) আৰু হ্যাংচুং (Hang-chow)।

v) চীনে জাপানৰ লগত অন্য এখন বাণিজ্যিক চুক্তি স্বাক্ষৰিত কৰিছিল।

vi) চীনে জাপানক আটাইতকৈ অনুগ্ৰহপ্ৰাপ্ত ৰাষ্ট্ৰ (Most Favoured Nation) হিচাপে স্বীকৃতি দিছিল।

vii) চীনে জাপানৰ লগত কৰা পূৰ্বৰ সকলো চুক্তি বাতিল কৰি তাৰ তাইত অধিক সুবিধা লাভ কৰি নতুন চুক্তি স্বাক্ষৰিত কৰিছিল।

তাৰোপৰি, ১৮৯৬ চনৰ জুলাই মাহত জাপানে চীনৰ লগত পিকিঙত অন্য এখন চুক্তি স্বাক্ষৰিত কৰিছিল। এই চুক্তিৰদ্বাৰা জাপানে চীনৰপৰা অধিক বাণিজ্যিক আৰু ঔদ্যোগিক সুবিধা লাভ কৰিছিল।

i) এই চুক্তিৰ জৰিয়তে জাপানে চীনৰ সকলো বন্দৰতে বাণিজ্যিক অনুমতি পাইছিল।

ii) জাপানে চীনৰ পৰা লাভ কৰা অঞ্চলসমূহত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ অনুমতি পাইছিল। এই উদ্যোগসমূহক কৰৰ পৰাও ৰেহাই দিয়া হৈছিল।

iii) চীনত থকা জাপানৰ উদ্যোগসমূহলৈ জাপানী লোক-

সকলো অৱগলো ধৰণৰ মেচিন আদি আনিবলৈ অনুমতি পাইছিল। এই অৱবৰাহৰ বাবে জাপানে কেৱল নিৰ্ধাৰিত শুল্ক দিলেই হৈছিল।

এনেদৰে চিমনচেকি চুক্তি আৰু পিকিঙৰ চুক্তিৰ ফলত জাপানে চীনত বিভিন্ন সুবিধা লাভ কৰিছিল। এই চীন আৰু জাপানৰ মাজত হোৱা যুদ্ধত চীনক পৰাজেয় সুদূৰ প্ৰাচ্যত এক নতুন দৃষ্টিভংগীৰ সৃষ্টি কৰিছিল। ইমান দিনে বৃহৎ ভৌগোলিক অৱস্থৱৰ ৰাষ্ট্ৰ চীনে নিজক লৈ যি উচ্চাশ্মিকা ভাৱত ভুবি আছিল এই যুদ্ধৰ ফলাফলে সেয়া ভুল বুলি প্ৰতিপন্ন কৰিছিল। জাপানৰ দৰে এখন অতি ক্ষুদ্ৰ ৰাষ্ট্ৰই এই যুদ্ধত জয়লাভ কৰাৰ প্ৰধান কাৰণ আছিল মেইজী প্ৰশাসনৰ নেতৃত্বত জাপানৰ আধুনিকীকৰণ আৰু পাশ্চাত্যকৰণ। জাপানে পাশ্চাত্য আদৰ্শৰে নতুন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা আহৰণ কৰি নিজকে উন্নত আৰু শক্তিশালী কৰি তুলিছিল। জাপানৰ সামৰিক বাহিনী পুনৰ সংগঠিত কৰাৰ লগতে উন্নত প্ৰশিক্ষণপ্ৰাপ্ত আছিল। ইয়াৰ বিপৰীতে অধঃমুগীয় গোড়ামীত সোমাই থকা চীনৰ সামৰিক বাহিনী দুৰ্বল হোৱাৰ লগতে আধুনিক যুদ্ধ নীতিৰ লগত পৰিচিত নাছিল। চীনৰ পৰা পোৱা এই যুদ্ধৰ ক্ষতিপূৰণ জাপানৰ অৰ্থনীতি অতি সবল কৰাৰ লগতে জাপান এখন অত্যন্ত শক্তিশালী দেশ হিচাপে পৰিচিত হৈছিল।

P.T.O.

ii) ইংগ জাপান মিত্ৰতা (Anglo-Japanese Alliance) ⇒

কুৰি শতিকাৰ আৰম্ভণিতে হোৱা ইংগ-জাপান-মিত্ৰতাৰ আন্তৰ্জাতিক ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আছিল। দক্ষিণ-পূব এছিয়াৰ আৰু সুদূৰ প্ৰাচ্যৰ দেশসমূহত ইউৰোপীয় শক্তিসমূহৰ সাম্ৰাজ্য বিস্তাৰ আৰু উপনিবেশ বিস্তাৰৰ প্ৰতিযোগিতা ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰাই চলি আছিল। এই প্ৰতিযোগিতা বৃদ্ধিৰ লগে লগে এখন দেশে অন্য এখন দেশৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপনৰ প্ৰতিযোগিতাও আৰম্ভ হৈছিল। অন্যান্য দেশৰ দৰেই জাপানেও বিভিন্ন কাৰণত পশ্চিমীয়া শক্তিৰ লগত মিত্ৰতা স্থাপনৰ বাবে আগ্ৰহী হৈ উঠিছিল। ইফালে ইংলেণ্ডেও নিজৰ অকলশৰীয়া আৰু নিৰপেক্ষ নীতি পৰিহাৰ কৰি এছিয়াৰ দেশৰ লগত মিত্ৰতা স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল। ইয়াৰ ফলস্বৰূপে ১৯০২ চনত ইংলেণ্ড আৰু জাপানে এক মিত্ৰতাপূৰ্ণ চুক্তি স্বাক্ষৰ কৰিছিল।

এই ইংগ-জাপান মিত্ৰতাই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল।

জাপানে ইংলেণ্ডৰ লগত মিত্ৰতা স্থাপন কৰিব বিচৰা প্ৰধান কাৰণসমূহ আছিল —

i) চীন আৰু জাপানৰ মাজত যি যুদ্ধ সংঘটিত হৈছিল, সেই যুদ্ধত চীনে পৰাজয় বৰণ কৰিছিল। ফলত চিমনো-চেকীত চীন আৰু জাপানৰ মাজত এক চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তিৰ চৰ্ত অনুসৰি বিজিত দেশ জাপানে

চীনৰ পৰা বহু সুবিধা লাভ কৰিছিল। চীনৰ দৰে এখন বিশাল দেশে পৰাজিত কৰাটো কথাই পশ্চিমীয়া দেশসমূহক জাপানক প্ৰতি ঈৰ্ষান্বিত কৰাৰ লগতে ভীতিগ্ৰস্তও কৰি তুলিছিল। সেয়েহে জাপানৰ এই বাঢ়ি অহা অথবা ক্ষমতা প্ৰতিৰোধ কৰিবৰ বাবে ৰাছিয়া, ফ্ৰান্স আৰু জাৰ্মানী একত্ৰিত হৈছিল। চিমনʼচেকি চুক্তিৰ স্বাক্ষৰ হোৱা ছয় দিনৰ পাছতে এই তিনিখন দেশ একত্ৰিত হৈ জাপানলৈ এক মিলিত প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। এই প্ৰস্তাৱ জাপানৰ ডেপুটি বৈদেশিক মন্ত্ৰী (Deputy Foreign Minister of Japan) কাউন্ট হিয়াচিলৈ (Count Hiyashi) প্ৰেৰণ কৰা হৈছিল। এই প্ৰস্তাৱৰ জৰিয়তে ফ্ৰান্স, জাৰ্মানী আৰু ৰাছিয়াই জাপানক চিমনʼচেকিৰ সন্ধিৰ দ্বাৰা লাভ কৰা চীনৰ লগত অঞ্চলসমূহ এৰি দিবলৈ আহ্বান জনাইছিল। চীনৰ লগত হোৱা যুদ্ধৰ পাছত জাপানে পুনৰ অন্য এখন যুদ্ধত অৱতীৰ্ণ হ'ব বিচৰা নাছিল। ফলত এই তিনি বৃহৎ শক্তিৰ হস্তক্ষেপ মানি লবলৈ বাধ্য হৈছিল। এই ক্ষতিৰ পোতক তুলিবলৈ জাপানে দৃঢ়প্ৰতিজ্ঞ হৈছিল। সেয়েহে কোনো শক্তিশালী ইউৰোপীয় দেশৰ লগত মিত্ৰতা স্থাপন কৰি সুবিধা পালেই এই তিনি শক্তিক পৰাজিত কৰাৰ প্ৰস্তুতি চলাই আছিল।

ii) চিমনʼচেকি চুক্তিৰ বিৰোধিতা কৰা প্ৰথমখন দেশ আছিল ৰাছিয়া। ৰাছিয়াই চীনক জাপানৰ বিপক্ষে সমৰ্থন দিছিল। আনহাতে, ৰাছিয়াৰ সমৰ্থনত আছিল ফ্ৰান্স আৰু

P.T.O.

জাৰ্মানী। সেয়েহে জাপানে ৰাছিয়াক প্ৰতিশোধ ল'বৰ বাবে এক শক্তিশালী পশ্চিমীয়া শক্তিৰ সন্ধানত আছিল।

iii) চীন জাপানৰ মাজৰ যুদ্ধৰ সময়ত ইংলেণ্ডে নিৰপেক্ষ নীতি অৱলম্বন কৰিছিল। আনকি চিমন'চেকি সন্ধিৰ ক্ষেত্ৰতো ইংলেণ্ডে কোনোবিধৰ হস্তক্ষেপ কৰা নাছিল। সেয়েহে ইংলেণ্ডৰ লগত মিত্ৰতা স্থাপনৰ বাবে জাপানে আগ্ৰহ প্ৰকাশ কৰিছিল।

ইংলেণ্ডে জাপানৰ লগত মিত্ৰতা কৰাৰ প্ৰধান কাৰণসমূহ আছিল —

i) কুৰি শতিকাৰ আৰম্ভণিৰ লগে লগে ইংলেণ্ডে নিজৰ বৈদেশিক নীতিৰ ক্ষেত্ৰত নতুন নতুন দৃষ্টিভংগী গ্ৰহণ কৰিছিল। ইমানদিনে অন্য ৰাষ্ট্ৰৰ ক্ষেত্ৰত অহস্তক্ষেপ নীতি তথা নিৰপেক্ষত নীতি ইংলেণ্ডে অৱলম্বন কৰি আহিছিল। কিন্তু আন্তঃৰাষ্ট্ৰীয় নীতি পৰ্য্যবেক্ষণ কৰি ইংলেণ্ডে নিজৰ এনে অকলশৰীয়া নীতিৰ সলনি অন্য শক্তিশালী ৰাষ্ট্ৰৰ লগত মিত্ৰতা কৰাটোহে অধিক সুবিধাজনক হ'ব বুলি উপলব্ধি কৰিছিল।

ii) ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰাই ইউৰোপীয় দেশসমূহে পৰস্পৰৰ লগত মিত্ৰতা স্থাপন কৰি শক্তিশালী হৈ উঠিছিল। ১৮৭৯ চনত অষ্ট্ৰিয়াই জাৰ্মানীৰ লগত মিত্ৰতা

P.T.O.

স্থাপন কৰিছিল। (Austro-German Alliance)। ১৮৮২ চনত জাৰ্মানী, অষ্ট্ৰিয়া-হাঙ্গেৰী আৰু ইটালীৰ মাজত ত্ৰি-মৈত্ৰী চুক্তি (Triple Alliance) স্বাক্ষৰিত হৈছিল। ১৮৯৪ চনত ফ্ৰান্স আৰু ৰাছিয়াই সৌহাৰ্দ্যপূৰ্ণ চুক্তি (Dual Alliance) স্বাক্ষৰিত হৈছিল। এনে পৰিস্থিতি পৰ্য্যবেক্ষণ কৰি ইংলেণ্ডেও অন্য ৰাষ্ট্ৰৰ লগত মিত্ৰতা স্থাপনৰ জৰিয়তে নিজৰ আন্তঃৰাষ্ট্ৰীয় স্থিতি সুদৃঢ় কৰি ৰাখিব বিচাৰিছিল।

(iii) ইংলেণ্ডে ৰাছিয়াৰ সাম্ৰাজ্যবাদী নীতি প্ৰতিৰোধ কৰিব বিচাৰিছিল। ক্ৰিমিয়ান যুদ্ধৰ সময়ত পৰাই ইংলেণ্ডে ৰাছিয়াৰ সাম্ৰাজ্যবাদী নীতিৰ বিৰোধিতা কৰিছিল। এইছোৱা সময়ৰ ভূ-মধ্য সাগৰৰ দিশত ৰাছিয়াৰ বিস্তাৰ নীতি প্ৰতিৰোধ কৰা হৈছিল। কাস্পিয়ান সাগৰৰ দিশতো ৰাছিয়াৰ বিস্তাৰ নীতিৰ ওপৰত চকু ৰখা হৈছিল। মাঞ্চুৰিয়া আৰু কোৰিয়াৰ প্ৰশ্নত ৰাছিয়াই হস্তক্ষেপ কৰাত দক্ষিণ-পূৱ এছিয়াত ৰাছিয়াৰ আধিপত্য প্ৰতিষ্ঠা হ'ব বুলি ইংলেণ্ড আতংকিত হৈ পৰিছিল।

ৰাছিয়াৰ এনে বৰ্দ্ধিত আকাংক্ষা নিয়ন্ত্ৰণৰ বাবে ১৮৯৭ চনত ইংলেণ্ড ৰাছিয়াৰ লগত এক সন্মিলনত মিলিত হৈছিল। স্কট-মোৰোভিক সন্মিলন (Scott-Murovitt)

Convention) নামেৰে জনাজাত এই সন্মিলনৰ প্ৰধান সিদ্ধান্ত আছিল।

i) ৰাছিয়াৰ মাঞ্চুৰিয়া অঞ্চলত থকা আগ্ৰহক ইংলেণ্ডে স্বীকৃতি দিব।

ii) য়াংচী (Yangtse) অঞ্চলত ইংলেণ্ডৰ আধিপত্য ৰাছিয়াই মানি লব।

কিন্তু ৰাছিয়াই লাহে লাহে এই সন্মিলনৰ সিদ্ধান্তৰ গুৰুত্ব কমাই আহিছিল। পিকিঙৰ পৰা হংকঙলৈ এটা পথ নিৰ্মাণৰ কাৰ্যত ৰাছিয়াই চীনক সহায় কৰাৰদ্বাৰা এই সন্মিলনৰ সিদ্ধান্তক অৱমাননা কৰা হৈছিল। সেয়েহে ৰাছিয়াৰ সলনি অন্য এক উপযুক্ত মিত্ৰ শক্তিৰ সন্ধান ইংলেণ্ডে আৰম্ভ কৰিলে।

ইংলেণ্ডে মিত্ৰতা স্থাপনৰ বাবে প্ৰথমে জাৰ্মানীৰ ওচৰত প্ৰস্তাৱ দিছিল। কিন্তু জাৰ্মানীয়ে ৰাছিয়াৰ লগত থকা সু-সম্পৰ্কৰ বাবে ইংলেণ্ডৰ লগত মিত্ৰতা স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰা নাছিল। জাৰ্মানীৰ দ্বিতীয় কাইজাৰ উইলিয়ামে ইংলেণ্ডৰ সলনি ৰাছিয়াৰ লগতহে সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ পক্ষপাতিত্ব কৰিছিল। ১৯০১ চনত ইংলেণ্ডৰ ৰাণী ভিক্টোৰিয়াৰ মৃত্যু উপলক্ষে কাইজাৰ দ্বিতীয় উইলিয়াম ইংলেণ্ডলৈ অহাতে পুনৰ ইংলেণ্ডে জাৰ্মানীৰ লগত মিত্ৰতাৰ প্ৰস্তাৱ দিছিল। এইবাৰো

P.T.O.

জাৰ্মানীয়ে ইংলেণ্ডৰ এই প্ৰস্তাৱ নাকচ কৰিছিল। ফলত ইংলেণ্ডে জাৰ্মানীৰ জাপানৰ লগত মিত্ৰতা স্থাপনৰ বাবে আগুৱাই আহিছিল। দক্ষিণ-পূৰ্ব এছিয়াত ৰাছিয়াৰ আধিপত্য প্ৰতিৰোধৰ বাবে জাপানেও ইংলেণ্ডৰ লগত মিত্ৰতা স্থাপনৰ বাবে আগ্ৰহী আছিল। ইয়াৰ ফলত ১৯০২ চনৰ জানুৱাৰী মাহত ইংলেণ্ড আৰু জাপানৰ মাজত এক মিত্ৰতা চুক্তি স্বাক্ষৰিত হয়। এই ইংগ-জাপান মিত্ৰতা চুক্তিৰ (Anglo-Japanese Alliance) প্ৰধান চৰ্তসমূহ আছিল :-

i) জাপান আৰু ইংলেণ্ডে ঘোষণা কৰিছিল যে চীন আৰু কোৰিয়া আক্ৰমণৰ তেওঁলোকৰ কোনো অভিপ্ৰায় নাই। জাপান আৰু ইংলেণ্ড এই দুখন ৰাষ্ট্ৰৰ পূৰ্বৰ স্থিতাৱস্থা বাহাল থকাটো বিচাৰিছিল।

ii) জাপান আৰু ইংলেণ্ডে নিজৰ ভিতৰতে স্থিৰ কৰিছিল যে ইংলেণ্ডৰ চীনৰ প্ৰতি আৰু জাপানৰ চীন আৰু কোৰিয়াৰ প্ৰতি আগ্ৰহ আছে।

iii) ইংলেণ্ড বা জাপানে যদি কোনো তৃতীয় শক্তিৰ লগত যুদ্ধত অৱতীৰ্ণ হয়, তেনেহ'লে যুদ্ধত অৱতীৰ্ণ নোহোৱাজনে সম্পূৰ্ণ নিৰপেক্ষতা অৱলম্বন কৰিব।

iv) এই মিত্ৰশক্তিৰ যিকোনো এখন দেশে অন্য কোনো দেশৰ লগত যুদ্ধ কৰা অৱস্থাত যদি কোনো অন্য ৰাষ্ট্ৰই মিত্ৰশক্তিৰ বিপক্ষ শক্তিক সহায় কৰিবলৈ আহে, তেনেহলে মিত্ৰশক্তিৰ

আনখন ৰাষ্ট্ৰই নিজৰ মিত্ৰ ৰাষ্ট্ৰক সহায় কৰিবলৈ আগবাঢ়ি আহিব। এনে পৰিস্থিতিত মিত্ৰশক্তিৰ এখন ৰাষ্ট্ৰই অন্যখনৰ শান্তি প্ৰতিষ্ঠাত সহায় কৰিব।

v) ইংলেণ্ড আৰু জাপানে এখনে আনখনৰ লগত আলোচনা নকৰাকৈ কোনো তৃতীয় শক্তিৰ লগত কোনোবিধৰ চুক্তি নকৰে।

vi) কোনো বিপদৰ সন্মুখীন হ'লে দুয়োখন দেশেই ইখনে সিখনৰ লগত সকলো সমস্যাৰ দ্বিধাহীনভাৱে আলোচনা কৰিব।

vii) এই চুক্তিৰ আৰম্ভ হোৱাৰ পৰা পাঁচবছৰলৈ বাহাল থাকিব।

ইংগ-জাপান মিত্ৰতাৰ প্ৰভাৱ :⇒
(Effects of Anglo-Japanese Alliance)

ইংগ জাপান মিত্ৰতাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ আছিল। এই মিত্ৰতাই জাপানক সুদূৰ প্ৰাচ্যৰ প্ৰতিদ্বন্দ্বী শক্তি হিচাপে গঢ়ি তুলিছিল। চীন আৰু জাপানৰ মাজত হোৱা যুদ্ধৰ পাছত ফ্ৰান্স, জাৰ্মানী আৰু ৰাছিয়া মিলিত হৈ জাপানৰ শক্তি প্ৰতিৰোধৰ যি প্ৰচেষ্টা আৰম্ভ হৈছিল, সেই প্ৰচেষ্টা এই মিত্ৰতাৰ ফলত ব্যৰ্থ হৈছিল। কাৰণ জাপান আৰু ইংলেণ্ড মিত্ৰ হোৱাৰ পাছত জাৰ্মানীয়ে ইংলেণ্ডৰ সমৰ্থন পোৱা জাপানৰ বিৰোধিতা কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। ৰাছিয়াই জাপানৰ বিপক্ষে নানা পৰিকল্পনা তৈয়াৰ কৰিছিল যদিও সেয়া সকলো

P.T.O.

সেই পৰিকল্পনাত সহায় কৰিবলৈ সাহস কৰা নাছিল। ইয়াৰ ফলস্বৰূপে জাপান আৰু ৰাছিয়াৰ মাজত হোৱা যুদ্ধত ৰাছিয়া পৰাজিত হৈছিল।

ইংগ জাপান মিত্ৰতাৰ ফলত মাঞ্চুৰিয়া অঞ্চলত জাপানৰ প্ৰতিপত্তি বৃদ্ধি পাইছিল। ৰাছিয়াক পৰাস্ত কৰাৰ পাছত জাপানে মাঞ্চুৰিয়া অঞ্চলত থকা ৰাছিয়াৰ অধিকৃত অঞ্চলসমূহ দখল কৰিছিল। মাঞ্চুৰিয়া ৰেলপথ আৰু ৱাকাহামা চাংহাই বেংকৰ ওপৰত জাপানৰ সম্পূৰ্ণ কৰ্তৃত্ব স্থাপন হোৱাৰ পাছত মাঞ্চুৰিয়া অঞ্চলৰ অৰ্থনীতি সম্পূৰ্ণ ক্ষতিগ্ৰস্ত হৈ পৰিছিল। ইয়াৰদ্বাৰা জাপানৰ অৰ্থনৈতিক উন্নতি হৈছিল। এই মিত্ৰতাই জাপানক ৰাজনৈতিক, অৰ্থনৈতিক, সামৰিক আদি সকলো দিশতে শক্তিশালী কৰি তুলিছিল।

ইংগ-জাপান মিত্ৰতাৰ ফলত জাপানৰ কোৰিয়াৰ ওপৰত থকা আগ্ৰহত ইংলেণ্ডে স্বীকৃতি দিছিল। ফলত ১৯১০ চনত জাপানে কোৰিয়া দখল কৰিছিল। চীনৰ মূল ভূ-খণ্ডৰ ওপৰতো জাপানৰ কৰ্তৃত্ব যথেষ্ট বৃদ্ধি পাইছিল। চীনৰ ১৯১১ চনৰ বিপ্লৱৰ সময়ত হোৱা সৰু-সুৰা ক্ষয়-ক্ষতিৰ বাবে জাপানে চীনৰ মাঞ্চু প্ৰশাসনৰ পৰা ক্ষতিপূৰণ বিচাৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ সময়ত জাপানে মিত্ৰশক্তি ইংলেণ্ডক সহায় কৰাৰ লগতে চীনৰ যথেষ্ট ক্ষতি কৰিছিল। জাপানৰ লগত ইংলেণ্ডৰ মিত্ৰতাই চীনক আটাইতকৈ ক্ষতিগ্ৰস্ত কৰি তুলিছিল। প্ৰথম বিশ্ব-

P.T.O.

-যুদ্ধৰ শেষলৈ চীনে জাপানৰ নির্দেশত চলিব লগাৰ দৰে পৰি-স্থিতিৰ সৃষ্টি কৰিছিল। সেই সময়ত চীন অকলো ফালৰ পৰাই ইমান দুৰ্বলা হৈ পৰিছিল যে ই অকলো ক্ষেত্ৰতে জাপানৰ ওপৰত নির্ভৰ কৰিবলগীয়া হৈছিল।

প্ৰথম অৱস্থাত আমেৰিকাই ইংগ-জাপান মিত্ৰতাক আদৰণি জনাইছিল। কিন্তু ৰুচ-জাপানৰ মাজৰ যুদ্ধৰ পাছত আমেৰিকাৰ সেই ভুল ভাঙিছিল। ৰুচ-জাপান যুদ্ধৰ অন্তত হোৱা পৰ্টমাউথ সন্ধিৰ (Treaty of Portmouth) চৰ্তসমূহত জাপানৰ আক্ৰমণাত্মক নীতিৰ প্ৰতিফলন ঘটিছিল। ফলত আমে-ৰিকাই সুদূৰ প্ৰাচ্যত যি "মুক্ত নীতি" (Open Door Policy) নির্দ্ধাৰণ কৰিছিল, সেই নীতিৰ সীমাবদ্ধতা আহি পৰিছিল। ইংগ-জাপান মিত্ৰতাৰ ফলত জাপানৰ সুদূৰ প্ৰাচ্যত বৰ্দ্ধিত প্ৰভাৱ আৰু আক্ৰমণাত্মক নীতি নিয়ন্ত্ৰণ কৰিবলৈ আমেৰিকাকে ধৰি অন্যান্য পশ্চিমীয়া ৰাষ্ট্ৰসমূহ অপাৰগ হৈছিল।

এনেদৰেই ইংগ-জাপান মিত্ৰতাৰ ফলত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰা দেখা গৈছিল।

## ইংগ-জাপান মিত্ৰতাৰ গুৰুত্ব :⇒
## (Importance of Anglo-Japanese Alliance).

১৯০২ চনত জাপান আৰু ইংলেণ্ডৰ মাজত যি মিত্ৰতা চুক্তি স্বাক্ষৰিত হৈছিল তাৰ ফলত দুয়োখন দেশেই লাভৱান হৈছিল। এই মিত্ৰতাৰ ফলত সুদূৰ প্ৰাচ্যত ৰাছিয়াৰ প্ৰভাৱ

গ্ৰাস কৰাৰ ক্ষেত্ৰত জাপান কৃতকাৰ্য্য হৈছিল। জাপানে বহু-দিনৰ পৰা এনে এক শক্তিৰ অপেক্ষাত আছিল যাৰ সহায়ত জাপান শক্তিশালী হৈ উঠাৰ লগতে ৰাছিয়া আৰু চীনক প্ৰত্যাহ্বান জনাব পাৰিব। ইংলেণ্ডৰ লগত মিত্ৰতাই জাপানৰ এই আশাক বাস্তৱ ৰূপ দিছিল। জাপানে ৰাছিয়াৰ লগত যুদ্ধত অৱতীৰ্ণ হোৱাৰ সময়ত অন্য কোনো ৰাষ্ট্ৰই যাতে ৰাছিয়াক সহায় কৰিব নোৱাৰে তাৰ বাবে ইংলেণ্ডে সকলো প্ৰকাৰৰ চেষ্টা চলাইছিল। বিদেশী ৰাষ্ট্ৰৰ সহায় অবিহনে যে ৰাছিয়াই জাপানক পৰাস্ত কৰিব নোৱাৰে সেই কথাত জাপান নিশ্চিত আছিল। ইয়াৰ ফলত ৰুছ-জাপান যুদ্ধত জাপান জয়ী হৈছিল।

ৰুছ-জাপানৰ যুদ্ধৰ ফলত ইংলেণ্ডো লাভৱান হৈছিল। কাৰণ জাপানৰ দৰেই ইংলেণ্ডেও সুদূৰ প্ৰাচ্যত ৰাছিয়াৰ কৰ্তৃত্ব হ্ৰাস কৰিবলৈ বিচাৰিছিল। আনহাতে, জাৰ্মানীৰ নৌ শক্তিৰ বৃদ্ধি হোৱাত ইংলেণ্ড সচকিত হৈ পৰিছিল। জাৰ্মানীৰ লগত ফেৰ মাৰিব পাৰাকৈ ইংলেণ্ডে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত থকা নিজৰ নৌ-বাহিনীক নিজ দেশলৈ প্ৰত্যাৱৰ্তন কৰিব বিচাৰিছিল। জাপানৰ লগত মিত্ৰতা স্থাপনৰ পাছত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জাপানে কৰ্তৃত্ব স্থাপন কৰিছিল। জাপানৰ লগত মিত্ৰতা কৰাৰ ফলত ইংলেণ্ডে সুদূৰপ্ৰাচ্যত নিজৰ স্থিতি সুদৃঢ় কৰাৰ লগতে নৌবাহিনীক নিজ দেশলৈ নিব পাৰিছিল।

ইংগ-জাপান মিত্ৰতাৰ এক অন্যতম গুৰুত্ব হ'ল এই মিত্ৰতাৰ দ্বাৰা এখন পশ্চিমীয়া দেশে এখন প্ৰাচ্যৰ দেশৰ লগত সমমৰ্য্যাদা-পূৰ্ণ চুক্তি স্বাক্ষৰিত কৰিলে। এই মিত্ৰতাৰদ্বাৰা জাপানে নিজ সাম্ৰাজ্যবাদী পৰিকল্পনাৰ ভেটি সুদৃঢ় কৰিছিল। এই মিত্ৰতাৰ সহায়ত জাপানে সুদূৰ প্ৰাচ্যত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, এই মিত্ৰতাই জাপান আৰু ৰাছিয়াৰ মাজত হোৱা যুদ্ধক নিয়ন্ত্ৰণত ৰাখিছিল। ইংলেণ্ডে এই যুদ্ধৰ সময়ত আন কোনো ৰাষ্ট্ৰই হস্তক্ষেপ কৰিব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰাখিছিল। নহ'লে এই যুদ্ধই বিশ্বযুদ্ধৰ ৰূপো লোৱাৰ সম্ভাৱনীয়তা নথকা নাছিল।

ইংগ-জাপান মিত্ৰতাৰ এক প্ৰধান উদ্দেশ্য আছিল সুদূৰ প্ৰাচ্যত স্থিতাৱস্থা বাহাল থকা আৰু চীনৰ স্বাধীনতা আৰু ঐক্যক সুৰক্ষা প্ৰদান কৰা। এই মিত্ৰতাৰদ্বাৰা কোৰিয়াত জাপানৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু উদ্যোগিক ভেটি প্ৰতিষ্ঠাক স্বীকৃতি দিয়া হৈছিল। আমেৰিকা আৰু চীনে অৱশ্যে এই মিত্ৰতাৰ বিৰোধিতা কৰিছিল। কাৰণ এই মিত্ৰতাৰদ্বাৰা ইংলেণ্ডে আমেৰিকাৰ শক্তিক প্ৰত্যাহ্বান জনোৱাৰ আশংকা কৰা হৈছিল। তাৰোপৰি এই মিত্ৰতাই জাপানক চীনৰ ওপৰত কৰ্তৃত্ব স্থাপনত সহায় কৰিব বুলি চীনে তাৰ বিৰোধিতা-কৰিছিল।

## ইংগ-জাপানৰ মিত্ৰতাৰ নবীকৰণ ঃ⇒
(Renewal of the Anglo-Japanese Alliance).

ইংগ-জাপান মিত্ৰতা চুক্তিখন পাঁচবছৰৰ বাবে প্ৰযোজ্য আছিল। সেয়েহে ১৯০৫ চনত এই চুক্তিখন প্ৰথমবাৰৰ বাবে নবীকৰণ কৰা হয়। ৰাছিয়া আৰু জাপানৰ মাজত হোৱা যুদ্ধৰ অসমাপ্তিৰ পাছত এই নবীকৰন কৰা হৈছিল। এইবাৰ পূৰ্বৰ মিত্ৰতা বাহাল ৰখাৰ উপৰিও অন্যান্য চৰ্ত কিছুমানো অন্তৰ্ভুক্ত কৰা হৈছিল। এই নবীকৰণৰদ্বাৰা ভাৰতবৰ্ষ আৰু সুদূৰ প্ৰাচ্যত ইংলেণ্ডৰ আগ্ৰহ তথা প্ৰভাৱ বৃদ্ধি কাৰ্য্যক জাপানে স্বীকৃতি দিছিল। ৰাছিয়াক সুদূৰ প্ৰাচ্যৰ পৰা অপসাৰিত কৰাৰ পাছত ভাৰতবৰ্ষত ৰাছিয়াই আক্ৰমণ চলাব পাৰে বুলি গ্ৰেট বৃটেইনে আশংকা কৰিছিল। সেয়েহে এই অঞ্চলত নিজৰ স্থিতি সবল কৰিবৰ বাবে বৃটেইনে জাপানৰ সমৰ্থন বিচাৰিছিল। ৰাছিয়াৰ পৰাজয়ৰ পাছত ৰাছিয়াৰ প্ৰতি জাপানৰ সংশয় একেবাৰে নাইকিয়া হৈছিল। অন্যহাতে ৰাছিয়াৰ প্ৰতি ইংলেণ্ডৰ শংকাহে বৃদ্ধি পাইছিল। প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জাৰ্মানীৰ নৌ-বাহিনী যাতে সক্ৰিয় হ'ব নোৱাৰে তাৰ বাবে ইংলেণ্ডে জাপানৰ লগত মিত্ৰতাৰ নবীকৰন কৰা অত্যন্ত জৰুৰী বুলি ভাবিছিল। সেয়েহে ১৯১১ চনত এই মিত্ৰতাৰ দ্বিতীয়বাৰৰ বাবে নবীকৰন কৰা হৈছিল।

P.T.O.

এইবাৰ এই মিত্ৰতাৰ ম্যাদ দহবছৰলৈ বৃদ্ধি কৰা হৈছিল।

## ইংগ-জাপান মিত্ৰতাৰ শেষ পৰ্য্যায় :→
(Last Phase of Anglo-Japanese Alliance).

সময়ৰ লগে লগে ইংগ-জাপান মিত্ৰতাৰ গুৰুত্ব কমি আহিছিল। এই মিত্ৰতাৰ প্ৰধান কাৰণ আছিল—
i) ৰাছিয়াৰ আক্ৰমণৰ প্ৰতি ইংলেণ্ড আৰু জাপানৰ শংকা আৰু ii) জাৰ্মানী নৌ-বাহিনীৰ প্ৰতি বৃটেইনৰ শংকা।

কিন্তু সময় বাগৰাৰ লগে লগে দুয়োখন দেশৰে এই মিত্ৰতাৰ প্ৰতি আস্থা তথা গুৰুত্ব কমি আহিবলৈ ধৰে। ইয়াৰ প্ৰধান কাৰণ আছিল।—

i) ১৯১৭ চনত ৰাছিয়াত হোৱা বিপ্লৱৰ ফলত ৰাছিয়াই আক্ৰমণাত্মক তথা বিস্তাৰ নীতি প্ৰায় পৰিত্যাগ কৰিবলৈ বাধ্য হৈছিল।
ii) ১৯১৮ চনত মিলিত শক্তিৰ হাতত জাৰ্মানীৰ পৰাজয় হৈছিল।

ৰাছিয়া আৰু জাৰ্মানীৰ শক্তি পৰি অহাত সমগ্ৰ প্ৰাচ্যত জাপান এখন শক্তিশালী দেশ হিচাপে পৰিগণিত হৈছিল। ১৯২০ চনৰ ভিতৰত জাপান বিশ্বৰ এক শক্তিশালী ৰাষ্ট্ৰ হিচাপে স্বৰ দাবি উঠিছিল। সাম্ৰাজ্যবাদী নীতিৰ ক্ষেত্ৰত জাপানে গ্ৰেট বৃটেইনক প্ৰত্যাহ্বান জনাব পৰা হৈছিল। তাৰোপৰি ইংলেণ্ডে আমেৰিকাৰ লগত মিত্ৰতাৰ প্ৰতিহে বেছি আগ্ৰহী হৈ উঠিছিল। আনহাতে চীনৰ সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিয়ে চীনৰ লগত জাপানকহে ওচৰ চপাই

P.T.O.

আনিছিল। সেই সময়ত চীনত মে' ফ'ৰথ আন্দোলন (May Fourth Movement) আৰম্ভ হৈছিল। এই আন্দোলনৰ দ্বাৰা চীনাসকলে নিজকে পশ্চিমৰ কবলৰ পৰা মুক্ত কৰিব বিচাৰিছিল। চীনৰ এনে জাতীয়তা ভাৱধাৰাৰ প্ৰভাৱত জাপান আৰু ইংলেণ্ডৰ মাজত ব্যৱধান বাঢ়ি আহিছিল।

১৯২১ চনৰ ১৩ ডিচেম্বৰত আমেৰিকা, গ্ৰেট ব্ৰিটেইন, ফ্ৰান্স আৰু জাপানৰ মাজত এক চুক্তি স্বাক্ষৰিত হয়। ৱাশ্বিংটন সন্মিলনৰ সময়ত স্বাক্ষৰিত হোৱা এই চুক্তিৰ ফলত পূৰ্বৰ ইংগ-জাপান মিত্ৰতা চুক্তিৰ অন্ত পৰে। এই বৃহৎ চাৰিশক্তিৰ মাজৰ মিত্ৰতাৰ প্ৰধান চৰ্ত আছিল।

i) এই চুক্তিৰ দ্বাৰা চাৰিওখন ৰাষ্ট্ৰই প্ৰশান্ত মহাসাগৰীয় অঞ্চলত থকা প্ৰত্যেকৰে কৰ্তৃত্বক প্ৰত্যেকেই সন্মান জনাব।

ii) এই কৰ্তৃত্বৰ ওপৰত যদি কোনো অন্য ৰাষ্ট্ৰই আক্ৰমণাত্মক নীতি গ্ৰহণ কৰে, তেনেহ'লে আন 'মৈত্ৰী ৰাষ্ট্ৰৰ' কেইখনে ইখনে সিখনৰ লগত এই বিষয়ে যোগাযোগ কৰি সেই সমস্যাৰ মীমাংসাৰ বাবে চেষ্টা চলাব। বিশেষ পৰিস্থিতিত ব্যক্তিগত-ভাৱেই হওঁক বা সমূহীয়াভাৱেই হওঁক মিত্ৰ-ৰাষ্ট্ৰসমূহে প্ৰত্যেকেই সমস্যা সমাধানত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব।

ইংগ-জাপান মিত্ৰতাই কেৱল সুদূৰ প্ৰাচ্যতে নহয় সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। ইংলেণ্ডে জাপানৰ লগত মিত্ৰতা স্থাপন কৰাৰ ফলত জাৰ্মানীয়ে ৰাছিয়াৰ ক্ষেত্ৰত ফ্ৰান্সৰ লগত সহযোগিতা

সোগৰতাৰ বিচৰা নাছিল। চীনত গণতান্ত্রিক আৰু জাতীয়তাবাদী ভাৱধাৰাৰ বিকাশৰ লগে লগে পাশ্চিমীয়া কবলৰ পৰা মুক্ত মানসিকতা গঢ়ি উঠিছিল। ৰাছিয়াৰ বিপ্লৱৰ পাছৰ পৰা ৰাছিয়াৰ সাম্ৰাজ্যবাদী নীতি সলনি হৈছিল। ১৯০৫ চনত আৰু ১৯১১ চনত ইংগ-জাপান মিত্ৰতাৰ নৱীকৰণ কৰা হৈছিল। এই মিত্ৰতাৰদ্বাৰা জাপানৰ কোৰিয়াৰ কৰ্তৃত্ব স্বীকৃতি দিয়া হৈছিল। এই মিত্ৰতাৰ পুনৰ নৱীকৰণৰ সময়ত ইয়াৰ ওপৰত ইয়াৰ নৱীকৰণৰ পৰিৱৰ্তে চাৰি শক্তিৰ মাজত মিত্ৰতা স্থাপন হৈছিল। (Four Power Agreement, 1923) ইয়াৰ লগে লগে ইংগ-জাপান মিত্ৰতাৰ সলনি চাৰিশক্তিৰ মিত্ৰতা আৰম্ভ হৈছিল।

ii) ৰুছ-জাপান যুদ্ধ :⇒
(Russ - Japanese War)

ৰাছিয়া আৰু জাপানৰ মাজত ১৯০৫ চনত যুদ্ধ আৰম্ভ হৈছিল। এই যুদ্ধৰ বিভিন্ন কাৰণ আছিল। ইয়াৰ প্ৰধান কাৰণসমূহ আছিল -

i) মাঞ্চুৰিয়া অঞ্চলকলৈ জাপান আৰু ৰাছিয়াৰ মাজত বিবাদ আৰম্ভ হৈছিল। বহুদিনৰ পৰাই মাঞ্চুৰিয়া অঞ্চলত আধিপত্য বিস্তাৰৰ বাবে এই দুই শক্তিৰ মাজত প্ৰতি-যোগিতা চলি আছিল। যুদ্ধৰ আচঁৰ ভিতৰতে এখন

উল্লেখযোগ্য কাঠ আৰু খনিজ দ্ৰব্য উৎপাদনকাৰী অঞ্চল আছিল মাঞ্চুৰিয়া। চীন আৰু জাপানৰ মাজত হোৱা যুদ্ধত জাপানৰ হাতত চীনৰ পৰাজয় হৈছিল। এই যুদ্ধত চিমন'-চেকিত যি শান্তি চুক্তি স্বাক্ষৰিত হৈছিল, সেই চুক্তিৰ চৰ্ত অনুসৰি জাপানে মাঞ্চুৰিয়া অঞ্চলত নিজৰ কৰ্তৃত্ব স্থাপন কৰাত সফল হৈছিল। কিন্তু ৰাছিয়াই হস্তক্ষেপত জাপানে এই সফলতাৰ ফল ভোগ কৰিবলৈ নাপালে। ৰাছিয়াই ফ্ৰান্স আৰু জাৰ্মানীৰ লগ লৈ জাপানৰ প্ৰশাসনৰ চিমন'-চেকিৰ সন্ধি অনুসৰি লাভ কৰা অঞ্চলসমূহ এৰি দিবলৈ আহ্বান জনায়। এই কথাই জাপানক ক্ষোভিত কৰি তুলিছিল আৰু সুবিধা পালেই ৰাছিয়াৰ ওপৰত প্ৰতিশোধ লবলৈ সাজু হৈ আছিল। এনে সময়তে ৰাছিয়াই চীনৰ পৰা মাঞ্চুৰিয়া অঞ্চলত থকা পৰ্ট অৰ্থাৎ বন্দৰকে ধৰি লাওটুং উপকূলীয় অঞ্চল লাভ কৰিছিল। তাৰোপৰি ৰাছিয়াই উত্তৰ মাঞ্চুৰিয়াৰ পৰা ভ্লাডিভোষ্টকলৈ এটা ৰেলপথ সজাৰ অনুমতিও লাভ কৰিছিল। এই কাৰ্য্যসমূহৰদ্বাৰা মাঞ্চুৰিয়া অঞ্চলত ৰাছিয়াৰ যথেষ্ট প্ৰভাৱ বৃদ্ধি পাইছিল। মাঞ্চুৰিয়া অঞ্চলত কৰ্তৃত্ব স্থাপনৰ পাছত কোৰিয়া অঞ্চলত থকা জাপানৰ কৰ্তৃত্বৰ ওপৰতো ৰাছিয়াই হস্তক্ষেপ কৰিব পাৰে বুলি জাপান সচকিত হৈ পৰিছিল। ফলত জাপানে কোৰিয়াৰ

P.T.O.

ক্ষেত্ৰত অধিক আগ্ৰহী হোৱাৰ লগতে কোৰিয়াৰ আভ্যন্তৰীন ক্ষেত্ৰতো হস্তক্ষেপ আৰম্ভ কৰিছিল। জাপানে কোৰিয়াৰ পৰা সেই অঞ্চলৰ অন্তৰ্গত য়ালুনদীৰ পাৰৰ অঞ্চলসমূহত থকা কাঠৰ ওপৰত বিশেষ ৰেহাই লাভ কৰিছিল। জাপানে কোৰিয়াত পোৱা এই সুবিধাসমূহত জাপানৰ ওপৰত কোৰিয়াই হস্তক্ষেপ কৰিব পাৰে বুলি জাপানে শংকা প্ৰকাশ কৰিছিল।

ii) ৰাছিয়াই মাঞ্চুৰিয়া অঞ্চলত নিজৰ স্থিতি সবল কৰিবৰ বাবে চেষ্টা অব্যাহত ৰাখিছিল। ৰাছিয়াই মাঞ্চুৰিয়া অঞ্চলত লাভ কৰা পৰ্ট আৰ্থাৰ বন্দৰটো সুদূৰ প্ৰাচ্যত এক উল্লেখযোগ্য নৌ-ঘাটি হিচাপে গঢ়ি তোলাৰ লগতে ইয়াৰ ৰক্ষণাবেক্ষণ দিছিল। চীনত বক্সাৰ বিদ্ৰোহ সংঘটিত হোৱাৰ সময়ত মাঞ্চুৰিয়া অঞ্চলৰ জনসাধাৰণ আৰু ৰেলপথক সুৰক্ষা দিবৰ বাবে ৰাছিয়াই মাঞ্চুৰিয়ালৈ সৈন্যবাহিনী প্ৰেৰণ কৰিছিল। মাঞ্চুৰিয়া অঞ্চলত বক্সাৰ বিদ্ৰোহ দমনৰ পাছতো ৰাছিয়াই সৈন্য বাহিনী অপসাৰিত কৰা নাছিল। ৰাছিয়াৰ এই কাৰ্য্যক জাপান আৰু আমেৰিকাই আপত্তি কৰাৰ লগতে মাঞ্চুৰিয়া অঞ্চলৰ পৰা সৈন্যবাহিনী উঠাই নিবৰ বাবে ৰাছিয়াক আহ্বান জনাইছিল। কিন্তু জাপানৰ আৰু আমেৰিকাৰ এই আহ্বানৰ প্ৰতি ৰাছিয়াই কৰ্ণপাত কৰা

নাছিল। বৰং মাঞ্চুৰিয়াৰ প্ৰশ্নত জাপানে আৰু অতাৰ কোনো অধিকাৰ নাই বুলিহে ৰাছিয়াই ঘোষণা কৰিছিল। ৰাছিয়াই জাপানক পোনপটীয়াকৈ জনাই দিছিল যে মাঞ্চুৰিয়াৰ ক্ষেত্ৰত চীন আৰু ৰাছিয়াৰহে আৰু অতাৰ ক্ষমতা আছে। ৰাছিয়াই চীনৰপৰা মাঞ্চুৰিয়া অঞ্চলত অধিক সুবিধা লাভৰ চেষ্টা চলাই আছে। কিন্তু জাপানে, আমেৰিকা আৰু বৃটেইনৰ প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত ৰাছিয়াই নিজৰ পৰিকল্পনাত সম্পূৰ্ণ সফলতা লাভ কৰিব পৰা নাছিল। জাপানে ৰাছিয়াৰ লগত মাঞ্চুৰিয়া আৰু কোৰিয়াৰ প্ৰসংগত বুজাপৰাত উপনীত হবৰ বাবে প্ৰস্তাৱ দিছিল। কিন্তু ৰাছিয়াই জাপানৰ প্ৰস্তাৱত সন্মত হোৱা নাছিল।

iii) ৰাছিয়াক মাঞ্চুৰিয়া অঞ্চলৰ আধিপত্যৰ পৰা আঁতৰাবৰ বাবে ৰাছিয়াৰ লগত মুখামুখি যুদ্ধ অপৰিহাৰ্য্য বুলি জাপানে বুজি উঠিছিল। সেয়েহে জাপানে তলে তলে যুদ্ধৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল। ইয়াৰ বাবে জাপানে নিজৰ আমৰিকা বাহিনী আৰু নৌ-বাহিনীক সবল কৰি তোলাৰ লগতে গ্ৰেট-বৃটেইনৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপন কৰিছিল। ৰাছিয়াৰ সাম্ৰাজ্যবাদী নীতিৰ প্ৰতি গ্ৰেট-বৃটেইনো সন্দিগ্ধ হৈ পৰিছিল। তাৰোপৰি ফ্ৰান্সৰ লগত ৰাছিয়াই মিত্ৰতা কৰাত ইংলেণ্ডে জাপানৰ লগত মিত্ৰতা স্থাপন কৰিছিল। এই ইংগ-জাপান মিত্ৰতাৰ ফলত জাপানৰ শক্তি যথেষ্ট বৃদ্ধি পাইছিল।

এই মিত্ৰতাই জাপানক কোৰিয়া অঞ্চলত কৰ্তৃত্ব স্থাপনৰ ক্ষেত্ৰত স্বীকৃতি দিছিল। এই মিত্ৰতাৰ সন্ধি অনুসৰি জাপান আৰু ৰাছিয়াৰ মাজত যুদ্ধ আৰম্ভ হ'লে ইংলেণ্ডে অন্য ৰাষ্ট্ৰই হস্তক্ষেপ কৰিব নোৱাৰাকৈ প্ৰতিৰক্ষা দিব এই চৰ্তই জাপানক সুৰক্ষিত কৰাৰ লগতে শক্তিশালীও কৰি তুলিছিল।

**যুদ্ধৰ ক্ষেত্ৰত জাপান আৰু ৰাছিয়াৰ লোকসকলৰ মনোভাৱ :⇒**

**(Attidute of Japanese and the Russians regarding War)**

জাপানৰ জনসাধাৰণ আৰু সামৰিক বাহিনীৰ লোকসকলে ৰাছিয়াৰ লগতে জাপানৰ মুখামুখি যুদ্ধৰ পোষকতা কৰিছিল। ১৯০৩ চনৰ জুলাই মাহত জাপান আৰু ৰাছিয়াৰ মাজত এক বুজাপৰা সম্পন্ন হৈছিল। কিন্তু এই বুজাপৰা হৈ থকাৰ সময়তে ৰাছিয়াই কিবা কাৰণত এই বুজাপৰাৰ চৰ্ত অমান্য কৰিলে জাপানে যুদ্ধ আৰম্ভ কৰিব বুলি জাপানৰ মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু জাপানৰ প্ৰধানমন্ত্ৰী কাউন্ট ইটোৱে ৰাছিয়াৰ লগত যুদ্ধ কৰা কাৰ্য্যত সমৰ্থন দিয়া নাছিল। আনহাতে সামৰিক বাহিনীৰ এজন প্ৰভাৱশালী ব্যক্তি জেনেৰেল য়ামাগাটা আৰিটোমোৱে (General Yamagata Aritomo) যুদ্ধৰ পোষকতা কৰিছিল।

ৰাছিয়াৰ একাংশ লোক আৰু বিত্ত মন্ত্ৰণালয়ে যুদ্ধৰ সলনি শান্তিপূৰ্ণ আলোচনাৰ মাজেৰে জাপানৰ লগত মাঞ্চুৰিয়া আৰু কোৰিয়াৰ প্ৰশ্নৰ সমাধান কৰাত সমৰ্থন

আগবঢ়াইছিল। ফলত দুয়োখন দেশেই আক্ৰমণাত্মক নীতি গ্ৰহণ কৰি সুযোগৰ অপেক্ষাত আছিল।

যুদ্ধৰ আৰম্ভণি :⇒
(Begining of War).

ৰাছিয়াই মাঞ্চুৰিয়া অঞ্চলত সৈন্যবাহিনী মোতায়েন কৰা কাৰ্য্যক জাপান, ইংলেণ্ড আৰু আমেৰিকাই বিৰোধিতা কৰিছিল। ইংগ-জাপান মিত্ৰতাৰ পাছত জাপান অধিক শক্তিশালী হৈ উঠিছিল। সেয়েহে ৰাছিয়াই পূৰ্বৰ স্থিতি সলনি কৰিবলৈ স্থিৰ কৰিছিল। ৰাছিয়াই মাঞ্চুৰিয়া অঞ্চলৰ পৰা সৈন্যবাহিনী আঁতৰাই নিয়া কাৰ্য্যই তিনিটা পৰ্য্যায়ত সম্পন্ন কৰিবৰ বাবে মান্তি হৈছিল। প্ৰতিটো পৰ্য্যায় ছমাহৰ মূৰে মূৰে আৰম্ভ হব বুলিও স্থিৰ কৰা হৈছিল। সেইমতে ১৯০২ চনৰ অক্টোবৰ মাহত ৰাছিয়াই মাঞ্চুৰিয়া এক-চতুৰ্থাংশ অঞ্চলৰ পৰা সৈন্যবাহিনী আঁতৰাই আনি বাকী থকা ঠাইসমূহত সেই সৈন্যবাহিনী পোটে খুৱাইছিল। ১৯০৬ চনৰ এপ্ৰিল মাহত ৰাছিয়াৰ সৈন্যবাহিনী অপসাৰণৰ দ্বিতীয় পৰ্য্যায় আৰম্ভ হৈছিল। কিন্তু তৃতীয় তথা শেষ পৰ্য্যায় শেষ সম্পন্ন কৰাৰ সময়ত ৰাছিয়াই, কিছু বেমেজালিৰ সৃষ্টি কৰিছিল। সেইখিনি সময়তে ৰাছিয়াই চীনক অসংখ্যৱে জনাই দিছিল যে মাঞ্চুৰিয়া অঞ্চলত ৰাছিয়াক কিছুমান সুবিধা প্ৰদান কৰাৰ বাবে চীনে প্ৰতিশ্ৰুতি দিলেহে

ৰাছিয়াই সৈন্যবাহিনী সম্পূৰ্ণৰূপে আঁতৰাই আনিব। ৰাছিয়াই দাবী কৰিছিল যে চীনে ৰাছিয়াৰ লগত মাঞ্চুৰিয়াক লৈ এখন ঘোষণাপত্ৰ তৈয়াৰ কৰিব লাগে আৰু মাঞ্চুৰিয়া অঞ্চলত অৰ্থনৈতিক ক্ষেত্ৰত সুবিধা লাভৰ বাবে কেৱল ৰাছিয়াকহে অনুমতি দিব লাগে। তদুপৰি ৰাছিয়াই মস্কোৰ পৰা পৰ্ট আৰ্থাৰলৈ এটা ৰেল পথ স্থাপন কৰিছিল আৰু এই কাৰ্য্যৰ দ্বাৰা মাঞ্চুৰিয়া অঞ্চলত ৰাছিয়াৰ প্ৰভুত্ব বিস্তাৰ হৈছিল আৰু মাঞ্চুৰিয়া অঞ্চলটো ৰাছিয়াৰ অন্তৰ্গত এখন প্ৰদেশ হিচাপেহে পৰিগণিত হব ধৰিছিল।

ৰাছিয়াৰ অন্য এক কাৰ্য্যই ৰুছ-জাপানীজ যুদ্ধ সংঘটিত হোৱাত অৰিহনা যোগাইছিল। সেই সময়ত য়ালু নদী (Yalu River) অঞ্চলত থকা কাঠ কাটিবৰ বাবে ৰাছিয়াই নিজৰ সৈন্যবাহিনীৰ লোকসকলক পঠাইছিল। ৰাছিয়াৰ য়ালু নদীৰ পাৰৰ অঞ্চলত কাঠ কটাৰ অনুমতিৰ সীমা ইতিমধ্যে শেষ হৈছিল যদিও ৰাছিয়াই নীতি বহিৰ্ভূতভাৱে এই কাঠ কটাৰ কাম আৰম্ভ কৰিছিল। ইফালে জাপানে কোৰিয়া অঞ্চলত নিজৰ স্থিতি সম্পূৰ্ণ সবল কৰিছিল আৰু ৰাছিয়াৰ য়ালু নদীৰ পাৰৰ কাঠ কটা কাৰ্য্যৰ প্ৰতিবাদ জনাই চেণ্ট পিটাৰ্চবাৰ্গত থকা ৰাছিয়াৰ প্ৰতিনিধিলৈ এই কাৰ্য্যৰ বন্ধ কৰিবৰ বাবে আহ্বান জনাইছিল। তদুপৰি ৰাছিয়াৰ লগত এক বুজাপৰা কৰিবৰ বাবেও প্ৰস্তাৱ প্ৰেৰণ

P.T.O.

কৰিছিল। এই প্ৰস্তাৱত উল্লেখ কৰা হৈছিল যে জাপানে মাঞ্চুৰিয়া অঞ্চলত ৰাছিয়াৰ আধিপত্যৰ স্বীকৃতি দিব। ইয়াৰ বিনিময়ত ৰাছিয়াইও কোৰিয়া অঞ্চলত জাপানৰ আধিপত্যৰ স্বীকৃতি দিব লাগিব। ১৯০৪ চনৰ ১৩ জানুৱাৰীত জাপানে মাঞ্চুৰিয়াৰ ওপৰত জাপানৰ কোনো ধৰণৰ কৰ্তৃত্ব নাই বুলি ঘোষণা কৰিছিল। ইয়াৰ পৰিবৰ্তে কোৰিয়া অঞ্চলতো ৰাছিয়াৰ অধিকাৰ নাই বুলি ৰাছিয়াই ঘোষণা কৰাটো বিচাৰিছিল। যেইবামাহো ধৰি চলা এই বুজাপৰাৰ অন্ততো ৰাছিয়াই জাপানৰ প্ৰস্তাৱ মানি লবলৈ অস্বীকাৰ কৰিছিল। ফলত মাঞ্চুৰিয়া আৰু কোৰিয়াৰ প্ৰশ্ন লৈ ৰাছিয়া আৰু জাপানৰ মাজৰ শান্তিপূৰ্ণ বুজাপৰা ব্যৰ্থ হৈছিল।

সেয়েহে জাপানে ৰাছিয়াৰ লগত যুদ্ধ ঘোষণা কৰিবলৈ বাধ্য হৈছিল। ১৯০৪ চনৰ ৮ ফেব্ৰুৱাৰীত জাপানী সৈন্যই অতৰ্কিতে পৰ্ট আৰ্থাৰ আক্ৰমণ কৰিছিল। ইয়াৰ পাছতেই ১৯০৪ চনৰ ১০ ফেব্ৰুৱাৰীত জাপান আৰু ৰাছিয়াৰ মাজত আনুষ্ঠানিকভাৱে যুদ্ধ ঘোষণা কৰা হৈছিল। এই যুদ্ধ ৰুছ-জাপানীজ যুদ্ধ হিচাপে জনা যায়।

**যুদ্ধৰ পৰ্য্যায়:-**
**(Courses of War)**

জাপান আৰু ৰাছিয়াৰ মাজৰ এই যুদ্ধত স্থলযুদ্ধ

আৰু জলযুদ্ধ দুয়োবিধ যুদ্ধই সংঘটিত হৈছিল। প্ৰথম অৱস্থাত জাপানী এডমিৰেল টগোই (Admiral Togo) পৰ্ট আৰ্থাৰত ৰাছিয়াৰ সৈন্যবাহিনীক পৰাস্ত কৰিছিল। ইয়াৰ ফলত জাপানে অতি সহজে সাগৰীয় পথেদি যুদ্ধৰ সামগ্ৰী অব্যাহত কৰিব পাৰিছিল। ভ্লাডিভষ্টকৰ পৰা (Vladivostok) অন্য এটা সৈন্যবাহিনীও জাপানৰ সৈন্যৰ হাতত পৰাস্ত হৈছিল। জাপানৰ একাংশ সৈন্যবাহিনীয়ে পৰ্ট আৰ্থাৰ অধিকাৰ কৰাৰ বিপৰীতে মূল সৈন্য-বাহিনীটো কোৰিয়া অভিমুখে যাত্ৰা কৰিছিল। এই জাপানী সৈন্যবাহিনীয়ে য়ালু নদীৰ অৱবাহিকাত ৰাছিয়াৰ সৈন্যক পৰাস্ত কৰাৰ পাছত লাওটুং উপকূলৰ ফালে আগুৱাই গৈছিল। জাপানী সৈন্যৰ হাতত ৰাছিয়াৰ সৈন্যবাহিনী সকলো ঠাইতে পৰাস্ত হোৱাৰ পাছত মুকডেন (Mukden) অঞ্চল এৰি ৰাছিয়াৰ সৈন্যবাহিনী উত্তৰ দিশে আগুৱাই-যায়। ৰাছিয়াই বাল্টিক অঞ্চলত থকা সৈন্যবাহিনীক যুদ্ধলৈ প্ৰেৰণ কৰাৰ পাছতো এই সৈন্যবাহিনী জাপানৰ সৈন্যৰ হাতত পৰাস্ত হয়। কেইবাবাৰো যুদ্ধত জাপানী সৈন্যই ৰাছিয়াৰ সৈন্যক পৰাস্ত কৰাৰ পাছত সমগ্ৰ প্ৰশান্ত মহাসাগৰীয় অঞ্চলতে জাপানৰ কৰ্তৃত্ব প্ৰতিষ্ঠা হয়। ৰুছ-জাপানৰ মাজত হোৱা যুদ্ধই ৰাছিয়াৰ দুৰ্বলতা প্ৰকাশ-

কৰিছিল। জাৰৰ প্ৰশাসনৰ ৰাছিয়াৰ এই পৰাজয়ে ৰাছিয়াত বিদ্ৰোহীসকলক জাৰৰ বিপক্ষে অতি সক্ৰিয় কৰি তুলিছিল।

পৰ্টছমাউথ সন্ধি, ১৯০৫ চন ঃ⇒
(Treaty of Portsmouth, 1905 A.D.)

জাপান আৰু ৰাছিয়া দুয়োপক্ষই যুদ্ধ কৰি ভাগৰি পৰিছিল। ৰাছিয়াৰ পৰাজয় হোৱাৰ লগতে এই পৰাজয়ৰ বাবে ৰাছিয়াত জাৰৰ বিপক্ষে বিদ্ৰোহীসকলৰ বিদ্ৰোহৰ কাৰ্য্যকলাপ বৃদ্ধি পাইছিল। ইফালে জাপানৰো কিছু আৰ্থিক তথা সামৰিক ক্ষয়-ক্ষতি হৈছিল। ফলত টোকিঅ' প্ৰশাসন আৰু পিটাচবাৰ্গৰ প্ৰশাসন যুদ্ধ সমাপ্তি তথা শান্তি প্ৰতিষ্ঠাৰ বাবে আগ্ৰহী হৈ উঠিছিল। অৱশেষত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টৰ (President Roosevelt) মধ্যস্থতাত পৰ্টচমাউথত জাপান আৰু ৰাছিয়াৰ মাজত পৰ্টচমাউথত এখন শান্তি সন্মিলনৰ অনুষ্ঠিত কৰা হয়। ১৯০৫ চনৰ ৮ আগষ্টত অনুষ্ঠিত হোৱা এই সন্মিলনত শান্তি প্ৰতিষ্ঠাৰ ওপৰত বিশদ আলোচনা কৰা হয়। এই আলোচনা মতে জাপান আৰু ৰাছিয়াৰ মাজত যুদ্ধ সমাপনিৰ বাবে শান্তি চুক্তি প্ৰস্তুত কৰা হয়। ১৯০৫ চনৰ ৫ ছেপ্তেম্বৰত আনুষ্ঠানিকভাৱে জাপান আৰু

ৰাছিয়াৰ মাজত এই পোর্টচমাউথ সন্ধিত স্বাক্ষৰ কৰা হয়। এই সন্ধিৰ প্ৰধান চৰ্তসমূহ আছিল —

i) জাপান আৰু ৰাছিয়াই লাওটুং অঞ্চলত লিজ লবগা অঞ্চলটো বাদ দি বাকী অঞ্চলসমূহত দখল এৰি দিবলৈ সিদ্ধান্ত লৈছিল। মাঞ্চুৰিয়া অঞ্চলত চীনৰ প্ৰশাসন চলিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

ii) মাঞ্চুৰিয়া অঞ্চলত চীনৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠা হোৱাৰ লগতে ৰাছিয়া আৰু জাপানে কোনো ধৰণৰ অতিৰিক্ত সুবিধা নাপায় বুলি সিদ্ধান্ত লোৱা হয়।

iii) মাঞ্চুৰিয়া অঞ্চলত কোনো বাস্তৱ বাণিজ্যিক আৰু উদ্যোগ প্ৰতিষ্ঠাৰ বাবে চীনে অনুমতি প্ৰদান কৰিলে ৰাছিয়া আৰু জাপানে তাত হস্তক্ষেপ নকৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

iv) চীনৰ অনুমতি সাপেক্ষে ৰাছিয়াই পোর্টআর্থাৰ, ডেইৰেন লাওটুং উপকূলৰ অংশবিশেষ আৰু মাঞ্চুৰিয়া ৰেলপথৰ লিজ জাপানৰ হাতত অৰ্পন কৰে।

v) দুয়োখন দেশেই মাঞ্চুৰিয়া অঞ্চলৰ ৰেলপথ কেৱল বাণিজ্যিক আৰু উদ্যোগিক বিকাশৰ কামতহে ব্যৱহাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

vi) ৰাছিয়াই চাখালিন দ্বীপৰ দক্ষিণ অংশ জাপানক হস্তান্তৰ কৰে। লগতে অখটক আৰু বেৰিং সাগৰীয় অঞ্চল জাপানীলোকক মাছ ধৰাৰ অনুমতি প্ৰদান কৰা হয়।

P.T.O.

কিন্তু পৰ্টচমাউথ সন্ধিৰ চুক্তিসমূহে জাপানক সন্তুষ্ট কৰিব পৰা নাছিল। জাপানৰ এই অসন্তুষ্টিৰ প্ৰধান কাৰণ আছিল —

i) জাপানে সম্পূৰ্ণ চাখালিন দ্বীপটো লাভ কৰা নাছিল।

ii) এই যুদ্ধৰ ক্ষয়-ক্ষতিৰ বাবদ জাপানে ৰাছিয়াৰ পৰা কোনোধৰণৰ ক্ষতিপূৰণ পোৱা নাছিল।

ফলত জাপানৰ লোকসকলে এই সন্ধিৰ বিৰোধিতা কৰিছিল। এই সন্ধিৰ দ্বাৰা জাপানৰ লাভ হোৱাৰ পৰিবৰ্তে লোকচান হোৱাহে পৰিলক্ষিত হৈছিল। কাৰণ ৰাছিয়াক সম্পূৰ্ণৰূপে পৰাস্ত কৰাৰ পাছতো জাপানৰ কোনো-ধৰণৰ লাভ হোৱা নাছিল। যুদ্ধৰ বৃহৎ ক্ষতিয়ে জাপানৰ অনিষ্ট কৰিছিল। কেৱল যুদ্ধ বন্ধ কৰিবৰ বাবেহে এই চুক্তি স্বাক্ষৰিত কৰা হৈছিল বুলি জাপানী লোকসকলে বিবেচনা কৰিছিল।

## ৰাছিয়াৰ পৰাজয়ৰ কাৰণ ⇒
## (Causes of Russian Defeat)

ৰুছ জাপানৰ যুদ্ধত ৰাছিয়াৰ পৰাজয়ৰ কিছুমান উল্লেখযোগ্য কাৰণ আছিল —

i) ৰাছিয়াৰ আভ্যন্তৰীণ পৰিস্থিতি সুস্থিৰ নাছিল। ৰাছিয়াৰ বিভিন্ন সৰু-সুৰা ৰাজ্যৰ মাজত মিল নাছিল। চৰকাৰ আৰু লোকৰ মাজত একতা সম্প্ৰীতি নাছিল।

ii) জাপানৰ সামৰিক কুশলতা সামৰ্থ আৰু আধুনিক যুদ্ধ প্ৰযুক্তি ওপৰত ৰাছিয়াৰ বিশেষ জ্ঞান নাছিল।

iii) ৰাছিয়াই এই যুদ্ধৰ বাবে পূৰ্ব পৰিকল্পনা প্ৰস্তুত কৰি থোৱা নাছিল। আনহাতে, জাপানে তলে তলে যুদ্ধৰ বাবে সম্পূৰ্ণ পৰিকল্পনা তৈয়াৰ কৰিছিল।

iv) জাপানে সামৰিক বাহিনী, নৌ-বাহিনী আদিকে যুদ্ধৰ বাবে সম্পূৰ্ণ প্ৰস্তুত কৰাৰ বিপৰীতে ৰাছিয়াই তেনে ব্যৱস্থা গ্ৰহণ কৰা নাছিল।

v) ৰাছিয়াত হোৱা বিদ্ৰোহসমূহে ৰাছিয়াক দুৰ্বল কৰি তুলিছিল।

vi) ৰাছিয়াৰ প্ৰশাসন ব্যৱস্থাত দুৰ্নীতি সোমাই পৰিছিল।

vii) ৰাছিয়াৰ সামৰিক দক্ষতা জাপানৰ তুলনাত কম আছিল।

<u>যুদ্ধৰ প্ৰভাৱ</u> :⇒
(Effects of War)

i) <u>ৰাছিয়াৰ ওপৰত প্ৰভাৱ</u> :- এই যুদ্ধই ৰাছিয়াৰ সুদূৰ প্ৰাচ্যত আধিপত্য বিস্তাৰত বাধা দিছিল। ৰাছিয়াত জাৰৰ অত্যাচাৰী শাসনৰ বিৰুদ্ধে জনসাধাৰণে বিদ্ৰোহ আৰম্ভ কৰিছিল।

ii) <u>জাপানৰ ওপৰত প্ৰভাৱ</u> :- এই যুদ্ধই জাপানক বিশ্বৰ ভিতৰতে এখন শক্তিশালী দেশ হিচাপে পৰিচিত কৰিছিল।

এই বিজয়ৰ পাছত সুদূৰ প্ৰাচ্যত ইউৰোপীয় শক্তিসমূহক জাপানে প্ৰত্যাহ্বান জনাব পৰা হৈছিল।

iii) চীনৰ ওপৰত প্ৰভাৱ :- এই যুদ্ধই চীনৰ অসমৰ্থতা ৰক্ষাত সহায় কৰিছিল। তাৰোপৰি চীনে পাশ্চাত্য জ্ঞান তথা প্ৰযুক্তি আহৰণৰ প্ৰতি আগ্ৰহী হৈ উঠিছিল।

iv) পাশ্চাত্য শক্তিৰ ওপৰত প্ৰভাৱ :- এই যুদ্ধত জাপানৰ দৰে এখন সৰু ৰাষ্ট্ৰৰ বিজয়ে অন্যান্য প্ৰাচ্যৰ দেশসমূহকো পাশ্চাত্য শক্তিৰ বিৰুদ্ধে যুঁজিবলৈ উৎসাহিত কৰিছিল।

এনেদৰেই জাপানে মেইজীকাৰৰ অশেষ চেষ্টা আৰু পৰিশ্ৰমৰ দ্বাৰা বিশ্বৰ দৰবাৰত আন পাশ্চাত্য শক্তিশালী দেশসমূহৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ আৰু সেই উন্নতিশীল দেশৰ দৰে উন্নতিৰ পথত আগুৱাই যাবলৈ আৰম্ভ কৰিছিল আৰু প্ৰগতিশীল জাপানৰ এক নতুন অধ্যায়ৰ পাতনি মেলিছিল।

—ox—x o—

অসমাপ্ত

13/10/2020